REFERENCE:
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

# Assam Legislative Assembly Debates

सत्यमेव जयते

1990

## OFFICIAL REPORT

WINTER SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## ( WINTER-SESSION )

## VOL. VI

### NO. 4

The 3rd December, 1984

*Geetali Art Press, G. S. Road, Dispur, Guwahati—781022*

REFERENCE
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1984

( Winter Session )

Volume— VI

No— 4

Dated the 3rd December 1984,

## CONTENTS.


| | | Page No. |
|---|---|---|
| 1. | Questions— | 5— 26 |
| 2. | Voting on Supplementary Demands for Grants for the Year, 1984-85 | 27— 101 |
| 3. | The Assam Appropriation ( No IV ) Bill, 1984— | 102— 111 |
| 4. | Calling attention Notice— | 112— 118 |
| 5. | Matter Under Rule 301— | 119— 128 |
| 6. | Adjournment— | — 129 |

Proceedings of the Sixth Session of the Assam Legislative Assembly assembled after the Seventh General Election under Sovereign Democratic Republican Constitution of India.

—

The House met in the Assembly Chamber, Dispur, Gauhati on Monday, the 3rd December, 1984 with the Hon. Speaker in the Chair, 18 ( eighteen ) Ministers, 13 ( thirteen ) Ministers of State, and 60 ( Sixty ) Members present.

—

## STARRED

## QUESTIONS AND ANSWERS

( To which oral answers were given )

Date 3rd December, 1984

+—+

### Re : KOKILABARI CENTRAL STATE FARM

Shri Hemen Das asked :—

*9. Will the Minister, Labour be pleased to state—

a) Whether Government is aware that the Kokilabari

Central state Farm, Pathsala has not yet fixed minimum wages according to Cental Government's Notification dated 19th October, 1983 ?

b) If so, the reason thereof ?

Shri Rameswar Dhanowar (Minister, Labour) replied-

9: (a)—The Kokilabari Central State Farm, Pathsala in Barpeta District is owned and managed by the State Farm Cor-poration of India Ltd. created by the Govern- ment of India, Ministery of Agriculture The State Govern- ment however is the appropriate authority for implemen- ting minimum wages for Agricultural Labour Employed therin: The existing rates of minimum wages fixed by the Government of Assam are Rs. 8/- minimum and Rs. 9/- maximum have been paid.

b)—Does not arise in view of above reply.

শ্ৰীহেমেন দাস ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এইটো জনাবনে যে এই ফাৰ্ম খনৰ কৰ্ম্মী সকলক কোন তাৰিখৰ পৰা তেওঁলোকৰ নিম্নতম মজুৰী দিয়াৰ কাৰ্য্যকৰী কৰিছে।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এই নিম্নতম মজুৰী দিয়াৰ নটিচ ১৯৮১ চনৰ ১২ ডিচেম্বৰ তাৰিখে দিয়া হৈছিল।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল, ১৯৮৩ চনৰ ১৯ অক্টোবৰত এই নটিফিকেচন দিয়া হৈছিল। আজি

১৯৮৪ চনৰ ৩ ডিচেম্বৰ। এই সময় ছোৱাৰ ভিতৰত কোন তাৰিখৰ পৰা সেই ফাৰ্মৰ কৰ্তৃপক্ষই এই নটিচ কাৰ্য্যকৰী কৰিছে সেইটো জনাবনে ?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) ঃ - সেইটো বৰ্ত্তমান মোৰ হাতত নাই।

শ্ৰীহেমেন দাস ঃ— অধ্যক্ষ মহোদয়, মোৰ আচল প্ৰশ্নটোৱেই আছিল এই বিষয়টো ভেখেত যদি এইটোৰ কাৰণেই প্ৰস্তুত হৈ অহা নাই - তেনেহলে ভেখেতেই বা আহিল কিয় বা ময়েই আহিলো কিয় ?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) ঃ— এইটো মই মাননীয় সদস্য গৰাকীক পিচত জনাম।

## Re : BRIDGES IN S, N. ROAD

Shri Altaf Hossain Majumdar asked :—

*10. Will the Minister, P. W. D. be pleased to state —

a) Is it a fact that S.N. Road under Silchar Division is a very important road connecting Silchar with West Silchar ?

b) If so, whether the Government is aware that some bridges on the road are in dilapidated condition and serious accident may occur any moment ?

c) If so, will the Government take immediate steps for reconstruction of the dilapidated bridges for public safety ?

Smti Sayeda Anowara Taimur (Minister, P.W.D.) replied :—

10. (a)—Yes, This is an important road.

b)—One bridge No. 9/1 requires immediate repair.

c)—Yes, action has already been taken to repair the said bridge.

Shri Altaf Hussain Majumdar :— Mr. Speaker, Sir, the Hon'ble Minister in reply to the question has state that action has already been taken. Does the Hon'ble Minister know that there are some other bridges whose condition is very bad ? Will the Minister be pleased to direct the department to immediately rectify them to avoid accident ?

Smti. Sayeda Anowara Taimur (Minister) :— Yes, Sir.

Re : ABOLITION OF AD-HOC PANCHAYAT BODIES

Shri Chandra Dhars Kalita asked :—

*11. Will the Minister, Panchayat be pleased to state—

a) Whether Government propose to abolish the Ad-hoc Panchayat bodies and hold popular Panchayat Election in Assam ?

b) If so, when ?

Shri Tilok Gogoi (Minister, Panchayat) replied :—

11. (a)—Since the amendment of the A.P.R. Act, 1972 (Assam Act XI of 1973) is under active consideration of the Govenment, it is not the desire of the Government to allow the ad-hoc bodies to continue all the time. The popular Panchayat election will be held at the appropriate time when Government considers suitable

b)—The date and time of holding popular Panchayat election much depends on the holding of General Election as the voter list of the General Election and Panchayat Election is the same.

শ্ৰীচন্দ্ৰধৰ কলিতা :— মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান পৰিস্থিতিত আমাৰ পঞ্চায়ত সমূহ এড-হক্ কৰি ৰখাৰ দোহাই দি ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰিবলৈ যোৱাটো মই নুবুজো। আজি মই গোটেই ভাৰতবৰ্ষৰ কথা কবলৈ নেযাও অসমত শাসনৰ নিম্নতম স্তৰত থকা পঞ্চায়ত গোট সমূহো আজিলৈকে চৰকাৰে নতুনকৈ গঠন নকৰি এডহক ভাবে ৰখাৰ কি কাৰণ তাক আমি বুজা নাই।

Mr. Speaker :— please put the supplementary questions.

শ্ৰীচন্দধৰ কলিতা :— মোৰ আচল প্ৰশ্ন হৈছে – এই এডহক

পঞ্চায়ত সমূহ আৰু দীৰ্ঘদীনিয়া হৈ নেথাকি ইয়াৰ আয়ুস কেতিয়া কৈ শেষ হব সেইটো মন্ত্ৰীমহোদয়ে জনাবনে ?

শ্ৰীতিলক চন্দ্ৰ গগৈ (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, আমাৰ বৰ্ত্তমান ভোটাৰ লিষ্টখন গন্দগোলীয়া হৈ থকাৰ কাৰণে এই কাম হাতত লব পৰা হোৱা নাই। কিয়নো বিধান সভাৰ নিৰ্ব্বাচন আৰু পঞ্চায়ত গোটবোৰৰ নিৰ্ব্বাচন সেই একেখন ভোটাৰ তালিকাৰ দ্বাৰাই কৰা হয়। আমাৰ ইতিমধ্যে এই ভোটাৰ তালিকাৰ ইনটেন চিভ ৰিভিজনৰ কাম চৰকাৰে হাতত লৈছে আৰু অতি সোনকালেই এই কাম সমাধা হব। ভোটাৰ তালিকা নতুনকৈ প্ৰস্তুত হোৱাৰ পিচতেই আমি বিভাগীয় যিথিনি কাম সেইথিনি অতি সোনকালে কৰিবলৈ চেষ্টা কৰিছো আৰু ইয়াৰ লগে লগে পঞ্চায়ত সমূহৰ নিৰ্ব্বাচনৰ কামো হাতত লোৱা হব।

শ্ৰীচন্দধৰ কলিতা :— মাননীয় অধ্যক্ষ মহোদয়, আমি যিখন গণ্ডগোলিয়া ভোটাৰ লিষ্টেৰে নিৰ্ব্বাচিত হৈ আহিলো সেইখনেৰে পঞ্চায়ত নিৰ্ব্বাচন পাতিব পৰা হোৱা নাই কিয় ? এতিয়া আমি ভাবিবলৈ বাধ্য হৈছো যে বৰ্ত্তমান শাসনত অধিষ্ঠিত দলটোৰ কিছুমান স্বাৰ্থপূৰণৰ অৰ্থেই এই এডহক কমিটিবোৰ গঠন কৰা হৈছে।

Mr. Speaker :— While putting the supplementar you cannot make any explanation but the questions only. You have already put the question and the Hon'ble Minister has already replied. If you think that there are some supplementary Questions out of that then your will kaindly put then only.

(সদনত গণ্ডগোল)

শ্ৰীচন্দধৰ কলিতা :— অধ্যক্ষ মহোদয় মই জানিব বিচাৰিছো যে অসমত পঞ্চায়ত নিৰ্ব্বাচন কেতিয়াকৈ অনুষ্ঠিত হব ?

শ্ৰীতিলক চন্দ্ৰ গগৈ (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, সম্প্ৰতি অসমত ভোটাৰ লিষ্ট সংশোধনৰ কাম চলি আছে আৰু এই কাম শেষ হলেই বিধান সভাৰ নিৰ্ব্বাচন হব, তাৰ পিচতেই পঞ্চায়ত নিৰ্ব্বাচন হব।

## Re : GRANT TO L. P. SCHOOL

Dr. Tarini Mohan Barooa asked :

*12. Will the Minister, Education be Pleased to state—

The procedure for disbuasing sanctioned grants to the L, P. Schools ?

Shri Mukut Sarma (Minister, Education) replied :

12.— There are no specific rules for disbursing the Santcioned grants to L. P. Schools. But generally sanctioned amounts are placed at the disposal of the Deputy Inspectors of Schools. The beneficiaries are selected by the Sub-Divisional Level Advisory Board for Elementary Education.

শ্ৰীতাৰিণী মোহন বৰুৱা:— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ শিক্ষা বিভাগৰ পৰা স্কুল সমূহক যি অনুদান দিয়াৰ নিয়ম চলি আহিছে সেই অনুদানৰ বিষয়ে মই আজি এই প্ৰশ্নটো কৰিবলগীয়া হৈছে। এই অনুদান চৰকাৰৰ পৰা দিয়াৰ যি নিয়ম সেই নিয়ম দিশপুৰ সমষ্টিৰ ক্ষেত্ৰত

কিছু বেলেগ হৈ থকা দেখা গৈছে। সেই কাৰণে মই আজি বিভাগীয় মন্ত্ৰী মহোদয়ক এই ঘটণাৰ বিষয়ে অলপ বহল ভাবে কবলৈ বিচাৰিছোঁ।

**Mr. Speaker: I ask the Hon'bel Members that the background will remain with the questionar and I only went the question in the House.**

শ্ৰীতাৰিণী মোহন বৰুৱা —: মোৰ প্ৰশ্ন হৈছে ক্ষেত্ৰী থানাৰ অংচি আৰু ডিমৰীয়া কলেজৰ প্ৰিন্সিপালৰ লগত, লগ হৈ মন্ত্ৰী মহোদয়ে ২৬ খন স্কুললৈ অনুদান আগবঢ়াইছে। এই ক্ষেত্ৰত স্থানীয় বিধায়কক উপেক্ষা কৰি মন্ত্ৰী মহোদয়ে তেওঁৰ ক্ষমতাৰ অপব্যৱহাৰ কৰা নাইনে?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয় আমাৰ মাননীয় সদস্য শ্ৰীবৰুৱা দেৱে যিখিনি কথা কৈছে সেইখিনি লিখিত ভাবে দিলে মই তাৰ ওপৰত নিশ্চয় ব্যৱস্থা লম।

শ্ৰীহেমেন দাস : অধ্যক্ষ মহোদয়, এজন বিধায়কৰ সমষ্টিত আন এজন বিধায়কে ধন মঞ্জুৰীৰ তালিকা প্ৰস্তুত কৰিব পাৰে নেকি?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মই জনাত প্ৰত্যেক সমষ্টিৰ বিধায়কে নিজ নিজ সমষ্টিত এই অনুদানৰ টকা বিতৰণ কৰিছে

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, তেখেতে প্ৰশ্ন কৰিছে যে আন এজন বিধায়কে তেখেতৰ সমষ্টিত টকা বিতৰণ কৰিছে। এইটো কেনেকৈ হবলৈ পালে?

শ্ৰীমুকুত শৰ্মা (মন্ত্ৰী) :— এই বিষয়ে এতিয়ালৈকে মোৰ হাতত তেনে ইনফৰমেচন নাই। শ্ৰীবৰুৱাই কোৱা কথাটোৰ প্ৰতি মোৰ দৃষ্টিগোচৰ হৈছে আৰু সেইটো মই নিশ্চয় বিবেচনা কৰি চাম।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, এইটো কথাত একেদলৰ দুজন বিধায়ক জড়িত হৈ আছে সেয়ে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অলপ অনুসন্ধান কৰিব নেকি?

Shri Benoy Basumatari :— Sir, there are many instances of members of Council of Ministers interfering with constituencies order than his own. In my constituency also appointments are made from Gauhati and also in my constitnency sanctions and grants relating to 1982-83 and 1983-84 have not been given yet. will the Minister kindly explain why those have been held up?

Shri Mukut Sharma, (Minister, Education) :— I willlook into it.

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয় মোৰ আচল প্ৰশ্নটোৰ উত্তৰ নাপালো। আমি বিৰোধী পক্ষৰ মাত্ৰ চাৰিজনমান বিধায়ক। গতিকে আমাৰ ফালৰ পৰা তেনেকৈ কৰ লগা একোনাই। কিন্তু শাসক দলৰ মাজতেই এজনে আন এজনৰ ক্ষমতা কাঢ়ি লৈ যাব খুজিছে, এই বিষয়ে মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা মই এটা স্পষ্টীকৰণ বিচাৰিছোঁ।।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী সকলে তেওঁলোকৰ নিজৰ সমষ্টিৰ বাহিৰেও অন্য সমষ্টিত এনেধৰণৰ কাম কৰিব পাৰে। এই ক্ষেত্ৰত কোনো ধৰণৰ নীতি নিয়ম উপংৰা হোৱা নাই।

শ্ৰীতাৰিণী মোহন বৰুৱা —: অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত চৰকাৰৰ পৰা নিৰ্দ্দেশ আছিল যে প্ৰত্যেক সমষ্টিৰ বিধায়কেহে এনে ধৰণৰ অনুদান আদিৰ তালিকা প্ৰস্তুত কৰিব। (....সদনত গণ্ডগোল...)

এই ক্ষেত্রত আচল বিধায়ক জনক দিপ্ৰাইভ কৰা হোৱা নাই নে ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এনে ধৰণৰ ঘটনা কোনো বিধায়কৰ পৰা শুনা নাই ।

শ্ৰীহেমেন দাস : — শ্ৰী তাৰিণী বৰুৱাই ১৩ খন স্কুলত চাকৰি দিয়াৰ সুবিধা পাইছিল কিন্তু তেখেতৰ হাত শূন্য হ'ল আনহাতে বাকী জনে ২৬ খন স্কুলত চাকৰি দিয়াৰ সুবিধা পালে ।

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, সমষ্টিয়ে প্ৰতি যিবোৰ এজনীয়া শিক্ষকৰ স্কুল আছিল সেইবোৰক দুজনীয়া কৰিবলৈ যাওতে কিছুমান নতুন চাকৰি ওলাইছিল আৰু সেই মতে প্ৰত্যেকজন বিধায়কক তেওঁলোকৰ নিজ নিজ সমষ্টিত ১৩ জনকৈ শিক্ষক নিযুক্তি দিয়াৰ কাৰণে ব্যৱস্থা কৰিবলৈ কোৱা হৈছিল। কিন্তু দিশপুৰ সমষ্টিত দুজন বিধায়কে কেনেকৈ এই শিক্ষক নিযুক্তি দিয়াৰ কাম কৰিলে সেইটো বুজিব পৰা নাই ।

শ্ৰীতাৰিণী মোহন বৰুৱা :— ১৩ টা চাকৰিৰ কথা নহয় ৫ হেজাৰকৈ চৰকাৰে যি অনুদান আগবঢ়াইছিল মই তাৰ কথাহে কৈছো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এইটো মন্ত্ৰী ডাঙৰীয়াৰ মহানুভৱতাৰ দগেহে হৈছে। ( -সদস্যসকলৰ হাঁহিৰ ৰোল )

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, সেই সমষ্টিৰ কাৰণে এনেয়ে গ্ৰান্ট বেছি থাকে আৰু তাত জেনেৰেল গ্ৰান্টৰ চাব প্লেনত বহুত টকা আছে। কিন্তু কথাটো হৈছে যে পূব গুৱাহাটীৰ বিধায়ক জনে নিজৰ সমষ্টিৰ স্কুল কেইখনকে পইচা দিব পৰা নাই আৰু দিচপুৰ সমষ্টিত টকা কিয় বিতৰণ কৰিবলৈ গৈছে ? এইদৰে বিধায়ক জনক নাপাত্তা কৰি দিয়াৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— এইটো আমি চাম।

Shri Altaf Hossain Mazumdar :— Sir, everyone knows about the position of L. P. Schools in each constituency. In view of this, may I request the Hon'ble Minister in-charge of Education to give specific direction that on the basis of the list of the M.L.As the grants to L.P. Schools will be given ?

Shri Mukut Sharma (Minister) :— Sir, I have already stated that the sanctioned amounts are placed at the disposal of the Deputy Inspector of Schools. The beneficiaries are selected by the Subdivisional level Advisory Board for Elementary Education in each constituency and in consultation with the local M.L.As.

Shri Altaf Hossain Mazumdar :— Sir, I find that variations are taken place in different constitencies and due to this reason will the Hon'ble Minister, Education, give a specific direction ?

Shri Mukut Sharma (Minister) :— Sir the direction is already there.

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, যি ১৩ জন শিক্ষকক নিযুক্তি দিয়াৰ কথা আছিল, তেওঁলোকক নিযুক্তি দিয়া হলনে ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী):— এইটো বেলেগ প্ৰশ্ন।

Shri Benoy Kumar Basumatary:— Sir, may I know whether thet Minister of State, P.W.D., has given his own share to tha constituency ?

Shri Mukut Sharma (Minister):— Sir, I have no information whether he has given his own share.

Shri Hemen Das :— Sir, there are certain procedures and grants are to be distributed according to those precedures and all the Hon'ble Members are aware of this. May I reqest the Hon'ble Minister to ascertain whether these procedures are fllowed properly or not ?

Shri Mukut Sharma (Minister) :— Sir, I will enquire into the matter.

বিষয় বিধান সভাৰ নিৰ্ব্বাচন।

শ্ৰীমথুৰা ডেকাই সুধিছে :

*১০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম বিধান সভাৰ যি ১৭ টা সমষ্টিৰ নিৰ্বাচন হোৱা নাই সেই সমষ্টি সমূহৰ নিৰ্বাচন কেতিয়াকৈ হব জনাবনে ?

(খ) নিৰ্বাচনৰ বাবে যি সকল প্ৰাৰ্থী আছিল তেওঁলোকৰ জীৱিকাৰ যে কোনো স্থায়ী পথ নাইকীয়া হৈছে এই বিষয়ে চৰকাৰে জানেনে ?

(গ) যদি জানে, উক্ত প্ৰাৰ্থী সকলক নিৰ্বাচন নোহোৱা পৰ্য্যন্ত

হাত খৰচ দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৩। (ক)—এই বিষয়ে নিৰ্বাচনী আয়োগে এতিয়ালৈকে কোনো সিদ্ধান্ত লোৱা নাই।

(খ)—চৰকাৰৰ ওচৰত কোনো বিতং খবৰ নাই।

(গ)—আইনতঃ তেনে কোনো ব্যৱস্থা নাই।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, যি ১৭ টা সমষ্টিৰ কেনদিদেট আছিল সেই সকলে কোনো ধৰণৰ ব্যৱসায় বানিজ্য কৰিব পৰা নাই। তেওঁলোকক চৰকাৰৰ ফালৰ পৰা হাতখৰচ দিয়াৰ ব্যৱস্থা কৰিলে ভাল হয়।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী):— আইনত তেনে কোনো ব্যৱস্থা নাই।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, আইনত নাই বাবেই কোৱা হৈছে। নিৰ্ব্বাচন নোহোৱা ১৭ টা সমষ্টিত কেনদিদেট সকলৰ আলৈ আথানি হৈছে তেওঁলোকক মাহে ৫০ বা ১০০ টকাকৈ হাত খৰচ দিলে ভাল হয়।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— বেমাৰ আজাৰ হলে বেলেগ কথা।

Dhti Benoy Kumar Basumatary :— Sir, the Hon'ble Chief Minister, in reply to this question, has stated that Govt. had no information. Sir, whether the Ho'nble Chief Minister is aware of the fact that

one of the P. T. C. candidates from Bijni, who was a profeor & whose case was not settled, was a patient of heart trouble and while retrdning from the market by a bicycle he lost his life ?

Shri Hiteswar Saikia (Chief Minister) :— Yes, sir, we know the information that he died for that reason.

শ্ৰীপূৰ্ণ বড়ো :— অধ্যক্ষ মহোদয়, আমাৰ ভোটাৰ তালিকাৰ কাম চলি আছে। মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, লোকসভাৰ নিৰ্ব্বাচন মাৰ্চ মাহত অনুষ্ঠিত হব তেতিয়া আমাৰ ১৭ টা বিধান সভাৰ সমষ্টিটো কেতিয়া নিৰ্ব্বাচন হব জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— এইটো আমাৰ ইলেকচন কমিচনাৰৰ ওপৰত নিৰ্ভৰ কৰিছে।

শ্ৰীমথুৰা ডেকা :— মাৰ্চ মাহত ইলেকচন পাতিলে নতুন ভোটৰ তালিকাৰ লিষ্ট মতে পতা হব নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— এই নিৰ্ব্বাচন লোকসভাৰ কাৰণে হব বিধান সভাৰ কাৰণে নহয়।

শ্ৰীহেমেন দাস :— আমাৰ বিধান সভাৰ নিৰ্ব্বাচন কোনখন ভোটাৰ তালিকামতে হব জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— এই বিষয়ে আমাক ইলেকচন কমিচনাৰে জনাইছিল। আগন্তুক লোকসভাৰ নিৰ্ব্বাচনৰ বাবে ভোটাৰ তালিকা প্ৰস্তুত কৰিব লাগে। লোকসভাৰ নিৰ্ব্বাচনৰ কাৰণে কৰিবলৈ যাওতে তেওঁলোকে ১৯৭১ চনৰ ভোটাৰ তালিকাক বেচিক দকুমেণ্ট

হিচাবে লবলৈ বিচাৰিছিল । সেইটোত আমি আপত্তি কৰিছিলো । গতিকে এতিয়া যি ভোটাৰ তালিকা কৰা হৈছে সেইখন লোকসভা নিৰ্ব্বাচনৰ বাবে প্ৰয়োজ্য হব । অসমৰ বিধান সভাৰ নিৰ্ব্বাচন স্পৰ্শ নকৰে আৰু ১৯৭৯ চনৰ ভোটাৰ তালিকাৰ ভিত্তিত ১৭ টা নিৰ্ব্বাচন হব লগা সমষ্টিত নিৰ্ব্বাচন কৰা হব ।

বিষয় হাইলাকান্দি টাউনৰ মাটি

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে :

* ১৪। মাননীয় ৰাজহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে --

(ক) এই কথা সঁচানে যে, হাইলাকান্দি টাউন মৌজাৰ ৯৫৩ নং দাগৰ খাচ মাটিৰ পট্টা হৰিদাস দেৱ নাথক দিয়া হৈছে ?

(খ) যদি সঁচা হয়, তেনেহলে হাইলাকান্দি চাব ডিভিজনেল ল্যাণ্ড এডভাইচৰি কমিটিৰ ২৪।১১।৮০ আৰু ৩৫।৮৩ তাৰিখৰ মিটিঙত উক্ত ৯৫৩ দাগৰ খাচ মাটিত দীৰ্ঘ দিন ধৰি খাজনা দিয়া আৰু দখল কৰোতা হিচাবে সুৰেশ দেৱ উক্ত মাটি হৰিদাস দেৱ নাথক নিদিবলৈ সিদ্ধান্ত লোৱা হৈছিল নেকি ?

(গ) যদি সিদ্ধান্ত লোৱা সঁচা হয়, তেনেহলে সুৰেশ দেৱক বঞ্চিত কৰি হৰিদাস দেৱ নাথক ৯৫৩ নং দাগৰ পট্টা দিয়া হল কিয় ?

শ্ৰীপদুম বাহাদুৰ চৌহান ( ৰাজহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :—

১৪। (ক)—সঁচা ।

(খ)—হয়, হৈছিল।

(গ)—২৪।১১।৮০ ৰ ল্যাণ্ড এডভাইচৰি কমিটিৰ মিটিঙৰ সিদ্ধান্তৰ বিপৰীতে ৯৫৩ নং দাগৰ ৩ (চ তাক) মাটি হৰি দাস দেৱ নাথক পট্টা দিয়া কাৰণ উপ-প্ৰতিনমাহৰ্ত্তা, হাইলাকান্দিৰ প্ৰতিবেদন মতে ৯৫৩ নং দাগত সুৰেশ দেৱ দখল নাছিল। সুৰেশ দেৱ কেৱল ৯৫৪ নং দাগতহে দখল আছিল। উক্ত ৯৫৩ নং দাগত হৰিদাস দেৱ নাথৰহে দীৰ্ঘদিন ধৰি দখল আছিল আৰু সেইহেতুকে হৰিদাস দেৱ নাথক পট্টা দিয়া হৈছে।

শ্ৰীপূৰ্ণ বড়ো :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে কি যে হাইলাকান্দি লেণ্ড এডভাইচৰি কমিটিৰ ৫৯ নং প্ৰস্তাৱ মৰ্মে কি সিদ্ধান্ত লোৱা হৈছিল ?

শ্ৰীপদ্মম বাহাদুৰ চৌহান (মন্ত্ৰী) :— মই আগতেই কৈছো যে চাব ডিভিজনেল এডভাইচৰি কমিটিয়ে এই দাগৰ মাটি সুৰেশ দেক দিব লাগে বুলি প্ৰস্তাৱ দিছিল।

শ্ৰীপূৰ্ণ বড়ো :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে এই দাগৰ মাটি সুৰেশ দেক দিব লাগে বুলি প্ৰস্তাৱত কোৱা হৈছে, তত স্বত্বেও এই দাগৰ মাটি তেওঁক কিয় দিয়া নহল ?

শ্ৰীপদ্মম বাহাদুৰ চৌহান (মন্ত্ৰী) ঃ - অধ্যক্ষ মহোদয়, ফিজিকেল পজেচন নাই বুলি এচ, ডি অ' ৰিপৰ্টত কোৱা হৈছে।

শ্ৰীপূৰ্ণ বড়ো : - অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে এচ, ডি অ'ৰ ৰিপৰ্টত ফিজিকেল পজেচন নাই বুলি কৈছে, কিন্তু লেণ্ড এডভা-ইচৰি যি সিদ্ধান্ত সেইমতে সুৰেশ দেক এই মাটি দিয়াৰ প্ৰস্তাৱ হৈছিল। ২৩।১১।৮৪ ৰ এই সিদ্ধান্তটো কেনেকৈ এচ, ডি অ'ই সলনি কৰিব পাৰিলে ?

শ্ৰীপদ্মম বাহাদুৰ চৌহান (মন্ত্ৰী) :— চাব, এচ, ডি অ'ই সেই

প্ৰস্তাৱৰ পিচত কি ৰিপৰ্ট দিছে তাৰ তথ্য মোৰ হাতত নাই। তাৰ পিচত ৮৩ চনৰ লেণ্ড এডভাইচৰি কমিটিৰ ৰিপৰ্ট চৰকাৰক দিয়া হৈছে তাত তেওঁক দিয়া হব বুলি কোৱা হৈছে। তেনেকৈয়ে ১৯৮০ আৰু ১৯৮৩ চনত বেলেগ প্ৰস্তাৱ লৈ থৈছে।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, ১৯৮০ চনৰ যি প্ৰস্তাৱ লোৱা হৈছিল সেই প্ৰস্তাৱৰ অংশীদাৰ এচ, ডি অ' ই নিজে তেনে ক্ষেত্ৰত ১৯৮৩ চনত সেইজন এচ, ডি অ' ই বেলেগ প্ৰস্তাৱ লব নোৱাৰে আৰু যদি লৈছিল ১৯৮০ চনৰ প্ৰস্তাৱ বাতিল কৰাৰ কাৰণে কি প্ৰস্তাৱ লোৱা হৈছিল মন্ত্ৰী মহোদয়ে জনাবনে ? আৰু সেই প্ৰস্তাৱ বাতিল কৰাৰ তাৰিখ কি আছিল ?

শ্ৰীপদুম বাহাদুৰ চৌহান (মন্ত্ৰী) :— মোৰ তথ্য মতে তেওঁলোকে ১৯৮৩ চনত যিটো প্ৰস্তাৱ লৈছিল সেইটোকে চৰকাৰক দিছে আৰু তাত কোৱা হৈছে যে সুৰেশ দেৱক সেই মাটি দিব লাগে। তেনেকৈয়ে বেলেক ধৰণেৰে দুটা ৰিপৰ্ট আছে আৰু সেইমতে বিবেচনা কৰি চাম।

শ্ৰীহেমেন দাস : - আন এজনক বৰ্ডে দিছে আৰু সেই প্ৰস্তাৱ বাতিল যদি কৰা নাই তেন্তে সেইজন মানুহে পাব লাগে। ১৯৮০ চনৰ প্ৰস্তাৱ চলি থাকোঁতে ১৯৮৩ চনৰ কথাটো কেনেকৈ আহিব পাৰে ?

Shri Keshab Chandra Gogoi, (Minister) :— Mr. Speaker, Sir, The question may be deferred. I will look into the whole matter and reply to the House.

Mr. Speaker:— The question No. 14 will be kept pending.

বিষয় ট্ৰিবিউনেল গঠন ।

শ্ৰীমথুৰা ডেকাই সুধিছে ঃ

১৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বিদেশী বহিস্কৰণৰ বাবে বৰ্ত্তমানলৈ কেইটি ট্ৰিবিউনেল গঠণ কৰা হ'ল আৰু কিমান জনৰ বিচাৰ হ'ল ?

(খ) উক্ত ট্ৰিবিউনেলত কিমান সংখ্যক গোচৰ নিষ্পত্তি নোহোৱাকৈ আছে জনাবনে ?

(গ) বিদেশী ভোটাৰ সকলৰ নাম ট্ৰিবিউনেল নবহাকৈ ভোটাৰ লিষ্টৰ পৰা বাদ দিয়াৰ কথা আছে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৫। (ক) এতিয়ালৈকে মুঠ ২০ (বিশ) টা ট্ৰিবিউনেল গঠন কৰা হৈছে । ১৯৮৪ চনৰ অক্টোবৰ মাহৰ একত্ৰিশ তাৰিখলৈকে ১৪৭ জন লোকক সামৰি ৪০ টা গোচৰ নিষ্পত্তি কৰা হৈছে ।

(খ)– ৩১।১০.৮৪ লৈকে মুঠ ৩৪০টা গোচৰ নিষ্পত্তি নোহোৱাকৈ আছে।

(গ)—নিৰ্ব্বাচন আয়োগে (Election Commission of India) এই ক্ষেত্ৰত কেনে ধৰণে আগবাঢ়িব লাগিব তাৰ পদ্ধতিৰ বিষয়ে সিদ্ধান্ত কৰিব ।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, এই গোচৰ সমূহ তুলিবৰ কাৰণে যি সকলক বিদেশী বুলি আমি ভাৱো তেওঁলোক যে বিদেশী এই কথাটো পুলিচৰ হাতলৈ যেযায় তাক সন্দেহ আছে, যদি নেযায় তেন্তে

কেনেকৈ চিনাক্ত করণ কৰিব বা ট্ৰিবিউনেলৰ ওচৰত হাজিৰ কৰাব ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, ইল্লিগেল মাইগ্ৰেশ্যন এক্টত কোৱা হৈছে ১৯৬১ চনৰ পিচত যি সকল আহিছে তেওঁলোকে বিদেশী বুলি ধৰা হব আৰু সেইমতে কাম কৰি থকা হৈছে।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে জনাবনে কি যে ৩৪০ আৰু ৩৪০ মুঠ ৬৮০ টা কেচ কোনে দিছে ? চৰকাৰে নিজে নে কোনোবা ব্যক্তিগত মানুহে ?

হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, চৰকাৰে নিজে।

শ্ৰীমথুৰা ডেকা :— যিখন মিটিং কামৰূপৰ উপায়ুক্তৰ সভাপতিত্বৰ বহিছিল তাত ৰাজহুৱা ভাবে বিবৃতি দিব লাগে বুলি, সেই বিষয়ে মুখ্যমন্ত্ৰীয়ে কিবা জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : ইল্লিগেল মাইগ্ৰেশ্যন এক্ট মতে এই কথা নিৰ্দিষ্ট কৰি দিয় হৈছে। এই সম্পৰ্কে আলোচনা বিলোচনা হৈছে। অৱশ্যে কামৰূপৰ উপায়ুক্তই কি কৈ নই নাজানো, খবৰ কৰিম।

## Re. BARMUNKANE SUBSIDISED DISPENSARY

Shri Chandra Dhar Kalita asked :

* 16. Will the Minister, Health & F. W. be pleased to state—

Whether the Government has any plan to upgrade the existing Subsidised Dispensary of Bamu-

tnkane to the status of a full fledged Health Centre ?

Dr. Bhumidhar Barman (Minister, Health & F. W.) replied :

16.—The Proposal for upgradation of Barmunkane Government Subsidised Allopathic Dispensary into State Dispensary was considered but could not be agreed to.

শ্ৰীচন্দ্ৰধৰ কলিতা :— আপগ্ৰেশ কৰাৰ কথা কিবা ভাবিছেনে কি ? মন্ত্ৰী মহোদয়ে জনাবনে কি ?

শ্ৰীভূমিধৰ বৰ্মণ (মন্ত্ৰী) :— টকা পইচা সাপেক্ষে বিবেচনা কৰা হব।

Re : EDUCATED UNEMPLOYMENT YOUTH

Shri Chandra Dhar Kalita asked :

* 17. Will the Minister, Labour be pleased to state—

(a) The age bar in respect of granting long to the educated unemployed ?

(b) Whether Government is aware that some educated unemployed youth have crossed the age bar before getting any job for no fault of their own ?

(c) If so, the steps taken or proposed to be taken by the Government in respect of those unemployed youth ?

Shri Rameswar Dhanowar (Minister, Labour &

Employment) replied :

**17.** (a)—There is no scheme under the Labour Department for granting loan to the Educated Unemployed. As such question of age bar does not arise.

(b)—Yes.

(c)—Labour Department does not formulate any policy regarding age concession to the Educated Unempeoyed for entry in to Government service.

শ্ৰীচন্দ্ৰধৰ কলিতা :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছেয়ে এইজ বাবৰ কথাটো নাহে, যিবিলাক শিক্ষিত নিবনুৱাক টকা দিয়া হৈছে সেইটো কিহত পৰে ?

(উত্তৰ নাই)

বিষয় গুৱা ডাক্তৰখানাৰ মাটি

শ্ৰীমথুৰা ডেকাই সুধিছে :

* ১৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কমলপুৰ চক্ৰৰ গুৱা ডাক্তৰখানাৰ নামত মাটি কিমানখিনি আছে ?

(খ) ডাক্তৰখানাৰ নামত ৰাইজে দিয়া মাটি নামজাৰি হৈছেনে ?

(গ) যদি হৈছে, উক্ত নামজাৰি হোৱা মাটিৰ দখল লোৱা হৈছেনে ?

(ঘ) উক্ত ডাক্তৰখানাত চৰকাৰী ভাৱে বেৰা আদি দিয়া হয়নে ?

ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

১৮। (ক)—চিকিৎসালয়ৰ দখলত থকা মাটি (পুৰণি) — ৬ বিঘা ১৩ লোচা

নতুনকৈ পট্টন দিয়া মাটি — ১৬ বিঘা ৪ লোচা

২২ বিঘা ১৭ লোচা

—১ বিঘা ১ কঠা

বৰ্তমান চিকিৎসালয়ৰ দখলৰ মাটি সৰ্ব ২৪ বিঘা ৪ কঠা ১৭ লোচা।

(খ)—হৈছে।

(গ)—দখল চমজি পোৱা হৈছে।

(ঘ)—বেৰ আদি দিয়া হৈছে। কিন্তু বৰ্তমান মেৰামতিৰ দৰকাৰ।

## VOTING ON SUPPLEMENTARY DEMANDS FOR GRANTS FOR 1984-85

Mr. Speaker — Now item No. 2

(No discussion)

Now item No. 3 Grant No. 1.

Shri Hiteswar Saikia, (Chief Minister) : Sir, on the recommendation of the Governor of Assam, I beg, Sir, to move that an additional amount of Rs. 7,70,000 be granted to the Minister-in-charge, to defray certain

charges which will come in the course of payment during the year ending the 31st March, 1985 in repect of "State Legislature".

Mr. Speaker : There is no cut motion to the grant. Now I put before the House the grant that an additional amount of Rs. 7,70,000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1985 in respect of "State Legislature".

(The Supplementary Demand for Grant No. 1 is passed.)

Now Grant No. 2

Shri Hiteswar Saikia (Chief Minister) :— Sir, on the recommendation of the Governor of Assam, I bag, Sir, to move that an additional amount of Rs. 16,11,000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1985 in respect "Council of Minister".

Mr. Speaker :— There are two cut motions to this Grant. The first one is tabled by Shri Benoy Kumar Basumatary, Md. Hussain and Shri Kaizasong and other is tabled by Shri Mathura Deka. Now Shri

Benoy Kumar Basumatary to move.

Shri Benoy Kumar Basumatary :— I beg to move that the total provision of Rs. 16,11,000 under Supplementary Demands for Grant No. 2 in respect of "Council of Ministers" at page 2 of the list of Supplementary Demands, be reduced by Rs. 100 i. e., the amount of the whole Supplementary Demand of Rs. 16,11,000 do stand reduced by Rs. 100.

শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, মই অতিৰিক্ত দাবী মঞ্জুৰীৰ ১৬ লাখ ১১ হাজাৰ টকা ২ নং দাবী মঞ্জুৰীৰ পৰা কৰ্ত্তন কৰি ১০০ টকা লৈ ঘাটি কৰি সম্পূৰ্ণ দাবী মঞ্জুৰীৰ ১৬ লাখ ১১ হাজাৰ ১০০ টকা ঘাটি কৰিব বিচাৰিছোঁ।

Shri Benoy Kumar Basumatary :— Sri, this additional grant is supposed to be utilised during this financial year. It is ncessary to raise the amount of discretionary grant as the existing provision in currant year's budget for Discretionary grant by Ministers is quite inadequate. At least in my tenure in this House, I have never been informed that an amount in the discretionary grant is made available to a minister; Since I do not know about what is the amount originally provided in this fund and what amount is now being sought to be increasd, I cannot participate in it.

I will request the hon. Chief Minister to inform us all about these.

Now, an additional amount of Rs. 15,00,000 will be required to meet the requirement of extra funds for travel expenses of Ministers and also for maintenance of care and electricity charges ect. Sir, since independence, we have seen the biggest Council of Ministers in Assam has come to exist. Earlier we have been told that the size of a Council of Minister should not be more than 10 percent of the elected members of the Ruling Party. In this House the Ruling party has 98 members which means that they can have only 9 Cabinet Ministers but to-day we see that this Council of Ministers has got about 40 members which is taxing the ex-chequer of the Govt. which is ultimately a burden on the people of the State.

The is another thing Sir, Many of us come from backward constituencies, and as per Constitutional provisions we are not supposed to directly contact the Executives or Officers our only means of work is through the elected representatives who are in power. But unfortunately, when we come to the Janatn Bhawan to the Chambers of the Ministers we find that the Chambers are empty and as and when we ask, it is said

that they are on tour. I do not know Sir, what is the procedure followed in respect of tours by members of the Council of Ministers to Delhi. It is the cabinet Ministers who has reascns to go to Delhi. But we find the Ministers of State also visit Delhi once a month. Whether they go Delhi on official parposes or to pay respect to their party leaders is not Kreron. In this way there as apprehensions created in the minds of the people.

Now Sir, we find that some very young members have been made members of the Council Ministers. They do not know how to be have but we are tolerating it as they re new and inexperienced. I would suggest to make arrangements for their training so that they can know as to how to move. They have been made Ministers about which they have no knowledge. Therfore Sir, they should be imparted a basic course. Even we had training when we entered into service. With these words Sir, I wish to know about the total amount of disiretionary grant given to members of a very large Council of Ministers and particularly, I want to know as to how they would spend the money. With these I move the cut motion.

শ্রীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, মই কর্তন প্রস্তাবটো

সমৰ্থন কৰি দুষাৰ মান কথা কবলৈ ওলাইছো।

মাননীয় অধ্যক্ষ মহোদয়, কথাটো সচাঁ যে, এইবাৰ অসমত যি মন্ত্ৰী সভা গঠন হল সি আগৰ মন্ত্ৰী সভা বিলাকৰ তুলনাত বৃহত্তম মন্ত্ৰী সভা। সকলো সময়তে আয়তনেই শক্তি নুবুজায়। এইবাৰো ঠিক তেনেকুবাই হৈছে। সংখ্যাত বেছি কিন্তু শক্তি কম। মন্ত্ৰী সভাৰ ভিতৰতেই দুই দল মন্ত্ৰী আমি দেখা পাইছো। এদলে কাম কৰে আৰু আনদলে কেৱল ঘূৰি ফুৰে। গতিকেই ভ্ৰমণ বানচ বেছিকৈ দিবলগীয়া হৈছে সেই ঘূৰি ফুৰা মন্ত্ৰী সকলৰ কাৰণে। তেখেত সকলে কেৱল দিছপুৰ জানে আৰু নিজৰ সমষ্টি জানে। এনে কিছুমান মন্ত্ৰীও আছে যি সকলে নিজৰ সমষ্টি নেদেখাৰ নিছিনাই হৈছে। গতিকে দেখা যায়, মন্ত্ৰী কেইৰাবিধৰো আছে, কিছুমান সমষ্টিৰ মন্ত্ৰী কিছুমান মহকুমাৰ মন্ত্ৰী আৰু কিছুমান অসমৰ মন্ত্ৰী। অসমৰ মন্ত্ৰী সকলৰ কাৰণে ভ্ৰমণ বানচ, দিবলগীয়া হলে আমাৰ কোনো আপত্তি নাই। অৱশ্যে কিছুমান এনে মন্ত্ৰীও আছে যি সকল নিজৰ সমষ্টিলৈ নগলে ৰাইজে অত্যন্ত বেয়া পায়, মাতি আনে। কিন্তু সেই বুলি সদায়েই ঘূৰি ফুৰাৰ কাৰণে ৰাইজৰ টকা পইচা খৰছ কৰিব সেইটো আমি কেতিয়াও সমৰ্থন কৰিব নোৱাৰো। এই সম্পৰ্কে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নীতি নিৰ্দ্দেশনা বান্ধি দিব পাৰে যে এজন মন্ত্ৰী কিমান দিনৰ ভিতৰত এবাৰ নিজা নিজা সমষ্টিৰ ফালে যাব পাৰে। তাকে নকৰাৰ কাৰণে এইদৰে ৰাজহুৱা টকাৰ চূড়ান্ত অপচয় হৈছে। যোৱা বানপানীৰ সময়ত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কোন জন মন্ত্ৰী কোন সমষ্টিলৈ যাব আৰু কোন কোন সমষ্টীৰ কাম কাজ আদি নিৰীক্ষণ কৰিব সেইটো নিৰ্দ্ধাৰণ কৰি দিছিল। সেইটো নিতান্ত ভাল ব্যৱস্থ হৈছিল। তেতিয়া ৰাইজেও নিজা নিজা প্ৰতিনিধিৰ আগত নিজৰ অভাৱ অভিযোগ বোৰ দাভি ধৰাৰ সুবিধা

পাইছিল। আমাৰ মাননীয় সদস্য বন্ধু শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াই কুৱাৰ নিছিনাকৈ এচম মন্ত্ৰীয়ে দিল্লীৰ লগত তাতবাতি কৰি থাকে। তেখেত সকলৰ কি প্ৰয়োজন থাকে সেইটো বুজা নাযায়। দিল্লীত সচিব সকলৰ কাম থাকে, মন্ত্ৰীৰ কাম থাকে। কিন্তু ৰাজ্যিক মন্ত্ৰী সকলৰ কি কাম থাকে সেইটো বুজা নেযায়। এবাৰ বাতৰি কাকতত এই বুলি বাতৰি পৰিবেশন হৈছিল যে, অসমৰ এজন পাৰ্লিয়ামেণ্টৰী চেক্ৰেটেৰীয়ে দিল্লী-কাশ্মীৰ আদিত বহি আছে। 'পাৰ্লিয়ামেণ্টৰী চেক্ৰেটৰী'ৰ দিল্লী-কাশ্মীৰত কি কাম আছে? অৱশ্যে মন্ত্ৰী সকলৰ কাম সকলোতে আছে। কিন্তু সেই বুলি কাম নেথাকিলে যাব নেলাগে। যদি কাৰোবাৰ ফুৰিবলৈ মন থাকে তেতিয়াহলে বাইজৰ পইছাৰে নফুৰি নিজৰ টকাৰে ফুৰক।

মাননীয় অধ্যক্ষ মহোদয়, এই কেইদল মন্ত্ৰীৰ উপৰিও আৰু এদল মন্ত্ৰী আছে যি সকল বেকাৰ মন্ত্ৰী। গতিকে তেখেত সকলে কেৱল ঘূৰিয়েই ফুৰে। গতিকেই আমাৰ অনুৰোধ যে, বেকাৰ মন্ত্ৰী সকলকো কাম দিয়ক।

মাননীয় অধ্যক্ষ :— মাননীয় সদস্য জনে 'বেকাৰ' শব্দটো প্ৰয়োগ নকৰিব।

শ্ৰীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, এই 'বেকাৰ' শব্দটোয়েই আটাইতকৈ ভাল শব্দ। এনেকুৱা জনপ্ৰিয় শব্দ বোধকৰো বৰ্ত্তমান ভাৰতত নাই।

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা 'আন পাৰ্লিয়ামেণ্টেৰী' শব্দ।

শ্ৰীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, নিবনুৱা শিক্ষিত

যুৱকক যেতিয়া 'বেকাৰ ভাট্টা' দিয়া হৈছে সেইদৰে এই 'বেকাৰ মন্ত্ৰী সকলকো কাম দিব লাগে। তেতিয়া তেখেত সকল অ.ফচত বাহিব। আমি ঘূৰি ফুৰা মানুহ হিচাবে জিলা বিলাকত থা খবৰ লৈ দেখিছো যে, জিলা প্ৰশাসনৰ বিষয়া সকলৰ কাম কাজ কৰাতেই অসুবিধা হৈছে। সদায় মিটিং আৰু মিটিং। যি বিভাগৰেই নহওঁক বা যি পৰ্য্যায়ৰেই নহওঁক কিয়. এজন মন্ত্ৰী আহিলেই সকলো বিভাগৰ বিষয়া সকলকে মাতি পঠাব। 'কেবিনেট' পৰ্য্যায়ৰ মন্ত্ৰীয়েও মাতে আৰু ৰাজ্যিক পৰ্য্যায়ৰ মন্ত্ৰীয়ে মাতে। গতিকে জিলা প্ৰশাসনৰ বিষয়া সকল এই বিলাকতে ব্যস্ত থাকিব লগীয়া হয়। নিজৰ নিজৰ কাম কৰিবলৈ সময়কে নেপায়। ৰুৰেল ডেভলপমেণ্ট'ৰ কাৰণে যি আচঁনি লোৱা হৈছে সেই সন্দৰ্ভতে মই বিভাগীয় মন্ত্ৰী মহোদয়ক সুধিব খুজিছো যে, তেখেত সকলো বিলাক জিলাৰ সদৰ ঠাইলৈ গৈছেনে? নিশ্চয় যোৱা নাই। অকল ইয়াতে নহয়, আই, আৰ, ডি, পি, এন, আৰ, ই, পি আদি যি বিলাক আচঁনিৰ কাম লোৱা হৈছে সেই বিলাকতো সেই একেই অৱস্থা হৈছে বিভাগীয় মন্ত্ৰী গলে বিভাগীয় বিষয়া সকলক মাতি অনাৰ নিয়ম, কিন্তু সেইটো নকৰি এটা দপ্তৰৰ মন্ত্ৰীয়ে আন এটা দপ্তৰৰ বিষয়াকো মাতি অনা দেখা যায় এইটো কিয় হবলৈ পাইছে? কিছুমান ঠাইত আকৌ ইমান বেছি মন্ত্ৰীৰ সমাগম হয় যে, কবলৈকো বাকী নেথাকে। কিছুমান জেগাত আমি বিষয়া সকলকনো মন্ত্ৰীয়ে কিয় মাতি পঠিয়াই সেই বুলি সোধাত তেখেত সকলে 'সেইখিনি কথা নকওঁ, শুনিলে বেয়া পাব বুলি আলবি কাটি যায়। ইত্যাদি বিলাক কাৰণতে আজি আমাৰ মাননীয় মুখ্যমন্ত্ৰীমহোদয়ক এই বুলি অনুৰোধ কৰিম যে মন্ত্ৰী সকলে হকে বিহকে ঘূৰি ফুৰাটো বন্ধ কৰিব লাগে। একেটা কথাকেই আকৌ 'ৰিপিট' কৰিছো যে, কোন মন্ত্ৰী বছৰত বা মাহত কিমানবাৰ নিজা নিজা সমষ্টিত যাব সেইটোৰ কাৰণে নীতি নিৰ্দ্ধাৰণ কৰিব লাগে। কাম কাজ

নোহোৱাকৈ সঘনে কাশ্মীৰ দিল্লীলৈ অহা যোৱা কৰাটো বন্ধকৰিব লাগে। আমি এখন দুখীয়া দেশৰ জনসাধাৰণ, আমাৰ দেশখন অতি গৰীব। গতিকে ভ্ৰমণ বানচ আদিত যি বিলাক টকা পইচা খৰছ কৰা হয় সেই বিলাক যাতে দুখীয়া জনসাধাৰণৰ কাম কাজত খৰছ হয় সেইটো চাব-লাগে। মন্ত্ৰী সকল বিভিন্ন ঠাইলৈ গলে ৰাইজৰ কাৰণে লোৱা আচঁনি বিলাকৰ কাম কাজ আদি চোৱা চিতা কৰিব লাগে। এই সন্দৰ্ভত অধ্যক্ষ মহোদয়, মই কৰিমগঞ্জতলোৱা 'এন, আৰ, পি' ৰ ৰাস্তা এটাৰ কথা কব খুজিছো। তাত 'এন, আৰ, পি স্কীম' মতে একোটা ৰাস্তাৰ বহল ২০ ফুট হব লাগে। টকা খৰছ হৈছে ৰাইজৰ কথামতে ৪৫ হেজাৰ টকাকৈ। এই ৰাস্তাটো এজন মন্ত্ৰীয়ে নিজা সমষ্টিৰ ৰাস্তা। কিন্তু ৰাস্তাটোৰ কিছুমান ঠাইত বহল হৈছে চাৰে সাত ফুট, কিছুমান ৫ ফুট এইদৰে। তাত পৃথিবীৰ ইঞ্জিনিয়াৰ আনিলেও কোনেও ৪৫ হেজাৰ টকা লাগিব বুলি কব নোৱাৰিব। এই ৰাস্তাটো আমাৰ বাজিত্যক মন্ত্ৰী আব্দুল শ্ৰীমোক্তাদিৰ চৌধুৰীৰ নিজ সমষ্টিৰ অন্তৰ্গত ফাকুৱা গাওঁত। এনেধৰণৰ কথা বিলাক যাতে চকু দিয়ে তাৰ কাৰণে মই আমাৰ চৰকাৰক অনুৰোধ জনাইছো। ৰাইজৰ টকা পইচা বিলাক ভাগ বতৰা কৰি খোৱাৰ কাৰণে নহয় এই কথাটোৰ প্ৰতি দৃষ্টি ৰাখিব লাগে।

অধ্যক্ষ মহোদয়, এই খিনিকেকৈ মই আমাৰ মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াই অনা প্ৰস্তাৱটোৰ সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীমহম্মদ হুচেইন :— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰীসকলৰ যাতায়তৰ ভাট্টা আৰু তেখেতসকলৰ যানবাহানৰ খৰচৰ শিতানত যি পৰিপূৰক দাবী উত্থাপন কৰা হৈছে সেই সম্পৰ্কত উঠা কৰ্তন প্ৰস্তাৱৰ সম্পৰ্কত মই দুআষাৰ কব খুজিছো। এই খৰচটো ব্যয়বহুল হৈছে।

অসম খন তৃথীয়া দেশ। তাতে আকৌ বানপানী আদি এশ এবুৰি প্ৰাকৃতিক দুৰ্যোগত থকাসৱকা হৈ থকা হৈছে। এতে ক্ষেত্ৰত মন্ত্ৰী পৰিষদৰ পৰিসৰ বৰ বেছি হৈছে। মোৰ পুৰ্ব্বৱৰ্ত্তী বক্তা শ্ৰীহেমেন দাস ডাঙৰী-য়াইও বহু কথা কৈছে। মন্ত্ৰী সকলে কাবোবাৰ বিয়া খাবলৈকো প্ৰগ্ৰাম কৰি যায়। এইটো ভাল কথা নহয়।

(ভইচ : বিয়া বাভিহে হয়)

Mr. Speaker ;—I hope the Hon. members will not disturb the hon. member who is speaking.

শ্ৰীমহম্মদ হুচেইম :— বিয়া ৰাতি হয় কিন্তু মন্ত্ৰী যায় ৰাতিপুৱাই।

Mr. Speaker :— The hon. member should address the chair and not other members.

শ্ৰীমহম্মদ হুচেইন :— গতিকে মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যেন তেওঁখেতৰ মন্ত্ৰীসভাৰ মন্ত্ৰী সকল কিমান দিন নিজৰ সমষ্টিলৈ যাব তাৰ এটা সীমা বান্ধি দিয়াৰ ব্যৱস্থা কৰে। আকৌ মন্ত্ৰী সকলৰ গাড়ীৰ কাৰণে যথেষ্ট টকা খৰচ হয়। মই নিজৰ অভিজ্ঞতাৰ পৰা কব পাৰো যে মন্ত্ৰী সকল এপাক ঘূৰি অহাৰ পিচতে গাড়ী বিপায়াৰ কৰিব লাগে আৰু পাচশ বা হাজাৰ খৰচ হয়। এনেকৈ বছৰেকত বিপায়াৰৰ কাৰণে যিমান টকা খৰচ হয় তাৰে নতুন গাড়ীকে প্ৰায় কিনিব পাৰি।

(ভইচ : পঞ্চাশ হাজাৰত নতুন গাড়ী নাপায়)

Shri Benoy Kumar Basumatary :— Sir, they tempt us and we cannot hold back our temptation.

শ্ৰীমহম্মদ হুছেইন :— পঞ্চাশ হাজাৰত নতুন গাড়ী নাপায় বুলি মইও জানো । মই কেৱল উদাহৰণ হিচাবেহে কৈছো । মই মুখ্যমন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ ৰাখিছো যাতে এই বিলাকত অলপ চকু ৰাখে। মই আৰু বিশেষ নকওঁ, ইয়াকে কৈ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছো ।

Shri Md. Hussain

শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, আজি যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপিত হৈছে সেইটো উত্থাপন হব নালাগিছিল যদিও তুলিবলৈ বাধ্য হৈছো। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ক কিছুদিনৰ আগতে প্ৰয়াত প্ৰধানমন্ত্ৰীয় ৰাষ্ট্ৰপুৰুষ সন্মান প্ৰদান কৰিছিল তাৰ উপৰিও তেখেতৰ বৰ্ত্তমান শ্ৰীৰাজীৱ গান্ধীৰ নেতৃত্বত গঠিত হোৱা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ ওৱাৰ্কিং কমিটিৰ সদস্যও কৰিছে সেইটো আমাৰ কাৰণে গৌৰৱৰ কথা আৰু তাৰ কাৰণে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো । আমাৰ অসমৰ পৰা ইমান দিনে খুব কম মানুহেহে এনে সন্মান পাবলৈ যোগ্য হৈছিল । অথচ তেখেতৰ আমোলতে সচিবালয়ত এখাৰ বজালৈকে আমালোসকল নাহে। সচিবালয় কাৰ্য্যালয়লৈ চাৰে দহ এঘাৰ বজাৰ আগতে উপসচিব সহ সচিব বা আমোলা কোনো নাহে । এই কথাটো মই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো। বাহিৰত দুখ লগা কথা নাম থকা সত্বেও নিজৰ ঘৰতে অসম সচিবালয়ত এনেকুৱা হলে হয়। এই ক্ষেত্ৰত এটা সীমাৰেখা থাকিব লাগে চাৰে দহ বজাত সন্মুখৰ গেটত তলা লগোৱাৰ ব্যৱস্থা কৰিব লাগে আৰু এক দেড় ঘণ্টা পিচতহে বাইজৰ কাম কাজৰ কাৰণে খুলি দিয়াৰ নিচিনা ব্যৱস্থা কৰি চবে পাৰে । জিলা পৰ্য্যায়ৰ কাৰ্য্যালয়ৰ কথা নকওঁ কিন্তু অসম সচিবালয় পৰ্য্যায়ত এটা সীমা ৰেখা থকাটো বাঞ্চনীয় । আমাৰ পৰামৰ্শ বিলাক যদি শুনে বা ৰাখে তেতিয়াহলে কাম হব । অৱশ্যে

পৰামৰ্শ ৰাখি থকা পাই আহিছো। মন্ত্ৰী পৰিষদৰ সংখ্য বঢ়োৱাৰ কথা কৈছিলো ৰাখিছে, কিন্তু মন্ত্ৰী সকল গুৱাহাটীত নাথাকে। প্ৰধান কাৰ্য্যালয়ত যাতে মন্ত্ৰী সকল থাকে তাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ স্বাস্থ্যমন্ত্ৰীৰ প্ৰধান কাৰ্য্যালয় নলবাৰী আৰু বানপানী নিয়ন্ত্ৰণ মন্ত্ৰীৰ প্ৰধান কাৰ্য্যালয়ন কোকৰাঝাৰ হৈ আছে। কিয়নো তাতগৈহে বেছি দিন থাকে। প্ৰধান কাৰ্য্যালয় দিশপুৰলৈ মানুহ আহে লগ পাবলৈ কিন্তু নাপায়। হেড কোৱাৰ্টাৰ নলবাৰী আৰু কোকৰাঝাৰ কৰি দিলে মানুহ লগ পাবলৈ তালৈ যাব পাৰিব।

(শিক্ষামন্ত্ৰী নাথাকে নেকি ? ভইচ)

তেখেত দিল্লীলৈ গৈ থাকে। মন্ত্ৰী সকল নিজৰ ঠাইলৈ গৈ কাম কৰক তাত আপত্তি নাই। কিন্তু কিমান দিন যাব পাৰিব, আন ঠাইৰ পৰা বাইজ আহি যাতে হেড কোৱাৰ্টাৰত পাব পাৰে তাৰো সুবিধা দিব লাগে।

অধ্যক্ষ মহোদয়, আন এটা দুখৰ কথা মন্ত্ৰী পৰিষদৰ ভিতৰৰ মন্ত্ৰী সকলৰ কথা অসম ৰাজ্যৰ বাতৰি কাকতসমূহত ওলায়েই থাকে। বহু ধৰণৰ অপ প্ৰচাৰো চলি থাকে। জনসাধাৰণে এনেকৈ বিৰোধীতা কৰিছেই তাতে আকৌ কাকত বিলাকৰ কথা পঢ়ি জন সাধাৰণ উত্তনা হয় কোন দিনাখননো মন্ত্ৰী সভা ভাঙে তাৰ সপোন দেখি আছে। এতিয়া শেহতীয়াকৈ বিশ ডিচেম্বৰ শেষ দিন বুলি নিদ্ধাৰণ কৰা শুনিবলৈ পাইছো। এই দুবছৰৰ ধৰি এই যায় এই যায় পৰিস্থিতি চলি আছে। পাৰ্লিয়া-মেণ্টত নিৰ্ব্বাচনৰ পিচতে কাৰ্য্যকাল শেষ বুলি এইবাৰ জনসাধাৰণে ভাবিবলৈ ধৰিছে আৰু আৱাজ শুনিবলৈ পোৱা হৈছে। আমাৰ মন্ত্ৰীৰ ল'ৰাক পুলিচে মাৰপিট কৰে ইত্যাদি খবৰো কাকতত পাই থকা হৈছে।

মন্ত্ৰী বা বিধায়কৰ ল'ৰা দুষ্ট হলে অলপ শাসনত ৰাখিবলৈ চেষ্টা কৰিব লাগিব। মন্ত্ৰীৰ লৰাক পুলিচে গ্ৰেপ্তাৰ কৰা মাৰপিট কৰা কথা শুনিলে দুখ লাগে। কলিকতাত কোনো মিটিঙত হেনো কোনো মহিলাই মন্ত্ৰীৰ গালৈ জোতা দলিয়াইছে এই বিলাক খবৰো শুনিছো। এই বিলাক ভাল নালাগে। কলিকতা দিল্লীত ঘৰ বন্ধা কথাও ওলাইছে। কোনো কোনো মন্ত্ৰীয়ে হেনো ঘৰ বান্ধিবলৈ আৰম্ভ কৰিছে। ঘৰ বন্ধাৰ সকলোৰে অধিকাৰ আছে কিন্তু এনেকুৱা কথা বিলাকৰ অপপ্ৰচাৰ হোৱাটো ঠিক নহয়। এই বিলাকৰ পৰা মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ আঘাট হয়। সন্মানত।

অধ্যক্ষ মহোদয়, তাৰোপৰি মাননীয় মুখ্যমন্ত্ৰী যেতিয়া নাথাকে তেতিয়া আন মন্ত্ৰী সকলেও কাৰ্য্যালয়ত প্ৰায় নাথাকে। যেতিয়া মুখ্য-মন্ত্ৰী মহোদয়ে জনতা ভৱনত থাকে তেতিয়া জনতা ভৱনৰ সন্মুখত চিক-চিকিয়া গাড়ীৰ লাইন দেখা যায়। তেখেতসকলক উপস্থিত থকাৰ ব্যৱস্থা কৰিব লাগে। তেতিয়া জনসাধাৰণ আহিলে বিমুখ হৈ যাব নালাগে। অৱশ্যে মই যেতিয়া জনতা ভৱনলৈ যাওঁ তেতিয়াহে মন্ত্ৰী সকল নথকা দেখো সময়ত যাওঁ নেকি? মই যিটো দেখা পাইছো সেইটোহে কৈছো কিন্তু মই সকলো মন্ত্ৰীকে দোষাৰোপ কৰা নাই।

মই প্ৰস্তাৱ আনোতে বহুতে আপত্তি কৰিছিল। মুখ্য মন্ত্ৰী মহোদয়ে তেখেতৰ কামকাজত সুবিধা হব বুলি ৩৮ জনক মন্ত্ৰী পদ দিলে। আৰু কিছুমানক দিলে মনৰ খুতুৰনি কমি যাব। তেওঁলোকক দৰমহা কমাই দিয়ক, মটৰৰ পৰিবৰ্ত্তে চাইকেল দিয়ক।

মুখ্যমন্ত্ৰী মহোদয়ে আৰু এটা কথা কৈছে কুৰিদফীয়া আঁচনিত তেখেতে লাগি আছে। কিন্তু কামৰূপত কুৰিদফীয়া আঁচনিৰ কোনো কাম হোৱা নাই। টকা সোনকালে যায় যদিও ৰাষ্টা ঘাট আদি এই-

বিলাক কৰিব পৰা নাই । কুৰিদফীয়া আচঁনিৰ কাম একেলগে কৰিব-লগীয়া হৈছে । যদি মটৰ গাড়ী তিনিমাহৰ কাৰণে দিয়ে তেন্তিয়া হলে কামকাজ সোনকালে কৰিব পাৰি । এইবিলাক হৈ উঠিলে অৱশ্যে আমাৰ নাম নহব যদিও আই কংগ্ৰেছৰে নাম হব ।

অধ্যক্ষ মহোদয়, বৰ দুখৰ কথা আমাৰ ৰঙিয়াৰ বৰলিয়া, পুথিমাৰী নৈৰ বান প্ৰপীড়িত এলেকাত পোন্দৰ দিন ৰিলিফ পালে । আনকি বাৰ্‌হংটী অঞ্চলৰ ১৬ খন গাওঁত মাত্ৰ পাচ দিনৰ ৰিলিফ পাইছে । এই কামত দায়িত্ব মন্ত্ৰী এজনক দিছিল । তেখেতে তাত পৈ দহ বাৰ দিন থাকি কি কৰিলে ? মানুহে যাতে সাহাৰ্য্য ঠিকমতে পায় সেইটো মই কামনা কৰো ।

অধ্যক্ষ মহোদয়, এতিয়া মন্ত্ৰী সভা বৃদ্ধিহোৱাত খৰছো বাঢ়িব । যি কেইজনে মন্ত্ৰী ললে তেখেতসকলে কামকাজ যাতে ঠিকমতে কৰে আৰু খৰছৰ মাত্ৰা কমায় । তেতিয়াহে সকলোৱে সন্তুষ্ট হব পাৰিব । এই সকলো কথা চাব লাগে । এইখিনি কৈয়ে মই মোৰ কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছো ।

* Shri Kaizasong :— Mr. Speaker sir, in support of the Cut Motion on Grant No. 2, I want to speak a few things relrating to travelling expenses. Here the Ministers all along are touring here and there. Of course, they may tour. Still on account of their travelling here and there is great loss - one from the

* Speech not Corrected

শ্ৰীপূৰ্ণ বড়ো:— অধ্যক্ষ মহোদয়, চিকিৎসা আৰু জন স্বাস্থ্য শিতানত আনি কৰ্ত্তন প্ৰস্তাৱ উৎথাপন কৰিছোঁ। এই শিতানত চাকৰিয়াল সকলৰ দৰমহা দিবলৈ যি দাবী উৎথাপন কৰি অতিৰিক্ত টকা বিচৰা হৈছে তাত আমাৰ আপত্তি নাই। কিন্তু গ্ৰাম্য চিকিৎসা সেৱা আগবঢ়োৱাৰ কাৰণে যিবিলাক চাম্ব চিদাৰী হেল্থ চেন্টাৰ খোলা হৈছে সেই হেল্থ চেন্টাৰ সমূহত ডাক্তৰৰ অভাৱ ঘটিছে। আনহাতে আমি দেখিছোঁ যে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰই হওক বা ষ্টেট দিচপেন্সৰিয়েই হওক যত পাচঁজন ডাক্তৰ থাকিব লাগে তাত দুজন আছে, কৰবাত এজন আছে। এই যে ঘৰ নাই, ডাক্তৰ নাই তাৰ বাবে প্ৰধানত কাৰ কি অসুবিধা হৈছে, সেইটো ভালকৈ চাব লাগে।

আমাম ৰঙীয়া সমষ্টিৰ উত্তৰ বেতনাত এটা চাব চিদিয়াৰী হেল্থ চেন্টাৰ মন্ত্ৰী মহোদয়ে উদ্বোধন কৰি আহিল য'ত ডাক্তৰৰ ব্যৱস্থা আজিও হোৱা নাই। যিবিলাক হেল্থ চেন্টাৰ গাৱেঁ ভুৱেঁ আছে তাত এ, এন, এম সকলক প্ৰশিক্ষণ দিয়াৰ কাৰণে ধন বিচৰা হৈছে। এই সকলক প্ৰশিক্ষণ দিব লাগিব। কিন্তু গাৱেঁ ভুৱে থকা চাব চিদেৰী হেল্থ চেন্টাৰ বিলাক ভবন সমূহ মেৰামতি কৰি বা সাজি উলিয়াই প্ৰশিক্ষণ প্ৰাপ্ত নাৰ্চ নিযুক্তি দিব লাগে। চাব চেন্টাৰ সমূহত নাৰ্চ বিলাকক ঠিককৈ নিয়োগ কৰা হলে আমাৰ শিশু তথা মাতৃ সকলৰ যি খিনি কাম হলহেতেন সেইখিনি কাম এতিয়া হোৱা নাই। গ্ৰাম্যাঞ্চলত চিকিৎসাৰ অভাৱত কিমান শিশু তথ্য প্ৰসূতি মৃত্যুৰ মুখত পৰে তাৰ হিচাপ নাই।

দেশৰ চাব চেণ্টাৰ বিলাকত যদি প্ৰশিক্ষণপ্ৰাপ্ত নাৰ্চ আৰু ডাক্তৰৰ নিযুক্তি দিয়া হলহেতেন তেতিয়াহলে হয়তো আমাৰ ধৰনা গাওঁৰ ভিতৰুৱাঅঞ্চল বিলাকত শিশু আৰু মাতৃসকলৰ চিকিৎসাৰ কিছু ব্যৱস্থা হলহেতেন। আমি জনাত কিছুমান চাব ডিভিজন আৰু কিছুমান ডিষ্ট্ৰিক্ট ঘোষণা কৰা হৈছে আৰু চাবদিভিজন হোৱাৰ পিছত তাত এটা চিভিল হস্পিটাল থকা দৰ্কাৰ। চিভিল হসপিটাল হলেই তাত ৰোগী ৰখা ব্যৱস্থাকে ধৰি শিশুৰ চিকিৎসা আৰু মেটাৰনিটী ওৱাৰ্ড আনি মাতৃ সকলৰ বাবে খোলানৰ ব্যৱস্থা কৰা দৰকাৰ। কিন্তু আমি দেখিছো চাবদিভিজন ঘোষণা কৰিছে যদিও তাত থকা চিকিৎসালয় এতিয়াও উন্নিত কৰা হোৱা নাই। আমি ৰঙিয়া চাবদিভিজনতে দেখিছো যে তাত থকা চিকিৎসালয়খন এতিয়াও সম্পূৰ্ণ হৈ উঠা নাই বিশেষকৈ শিশু আৰু মাতৃ সকলৰ সেৱাৰ কোনো ব্যৱস্থা কৰা হোৱা নাই। গতিকে অন্যান্য মহকুমা বিলাকতো নিশ্চয় তেনে অৱস্থাই হৈছে বুলি আমাৰ ধাৰণা। আজি পৰিয়াল কল্যাণ আঁচনিৰ ক্ষেত্ৰত মুল বাজেটত ধন বিচৰাৰ উপৰিও আকৌ ৩৬ লাখ টকাৰ চাপ্লিমেণ্টৰী ডিমাণ্ড বিচৰা হৈছে। এই ধন বিশেষ কামত নাহিব বুলিয়ে আমাৰ ধাৰনা, যদিহে কিবা ভাল কাম হাতত লোৱা নহয়। গতিকে আমি আশা কৰিছো গাওঁৰ দূৰ দূৰনিৰ অঞ্চল বিলাকত যাতে চিকিৎসাৰ সুব্যৱস্থা হয়। আকৌ আমি জনাত দূৰ দূৰনিত থকা ডাক্তৰ সকলে ২-৩ মাহে দৰমহা নোপোৱাকৈ থাকে। এইটো পৰিকল্পনাৰ কথা পৰিকল্পনা ঠিকেই হয়তো আছে কিন্তু তাৰ স্বাভাৱিকীকৰণ কৰা হোৱা নাই। তেওঁলোকে দৰমহাৰ বাবে হাহাকাৰ কৰি তাৰ গুৱাহাটীলৈ এনেয়ে অহা যোৱা কৰি থাকিব লাগে। গতিকে এই পৰিপ্ৰেক্ষিতত ডাক্তৰ সকলক সংশোধিত দৰমহা দিব লাগে আৰু সময়মতে তেওঁলোকক দৰমহা দিয়া ব্যৱস্থা কৰিব লাগে। তেতিয়াহে তেওঁলোক জনসাধাৰণৰ মাজলৈ সেৱাত মনোভাৱলৈ আগবাঢ়ি আহিব। এইখিনিতে

কৈ কৰ্ত্তন প্ৰস্তাৱটো উৎথাপন কৰিছোঁ।

শ্ৰীমথুৰা ডেকা ঃ— অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই তুষাৰমান কব বিচাৰিছোঁ। ডাক্তৰ সকলৰ কাৰণে যি দৰমহা বিচৰা হৈছে তাত আমাৰ আপত্তি নাই। কিন্তু কথা হৈছে এই চিকিৎসা বিভাগটোত কিছুমান দুৰ্নীতি ইমান বেয়াকৈ শিপাইছে যে ই চিকিৎসা সেৱাৰ ভিতৰলৈকে গৈছে। আগতে এবাৰ আমাৰ বন্ধু শ্ৰীহেমেন দাস ডাঙৰীয়াই এটা প্ৰশ্ন কৰিছিল নিকুলা কোম্পানীৰ বিষয়ে। ৯ লাখ নে কিমান টকা এড্ভান্স লৈছিল কিবা ঔষধ পাতি বা যন্ত্ৰ পাতি আদি কিনাৰ কাৰণে। কিন্তু আজিলৈকে টকাও ফিৰি নাহিল আৰু স্বত্বও আহিল নে নাই আমি নাজানিলোঁ। কিয় আৰু কেনেকৈ এই টকা দিয়া হল তাকে গম নাপালো। এনেভাৱে যে কিমান টকা আমাৰ গল কোনেও কব নোৱাৰে।

আজি আমাৰ মন্ত্ৰী মহোদয়ে কিছুমান অৰ্ডাৰ দিয়ে কিন্তু বিষয়া সকলে সেইবোৰ নামানে। ইয়াত কিবা গুৰুত্বৰ ৰহস্য আছে নেকি আমি নাজানো। মন্ত্ৰী মহোদয়ে বদলি কৰে কিন্তু যিয়া সকলে নামানে। মই নিজেও মন্ত্ৰী মহোদয়ক কথাটো কৈছোঁ। এই বিলাক কথা চিন্তা কৰিব লাগে। মোৰ সমষ্টিৰে এজন ডাক্তৰ, তেওঁক কেতিয়াও পোৱা নাযায়। তেওঁ নাথাকেই। ৰাজহুৱা ভাৱে দৰখাস্ত দিলো কিন্তু আজি ৩ মাহ হল ডাক্তৰ বদলি নহল। চৰকাৰে সেই জনক আতৰাই অন্য এজন ডাক্তৰ দিলে ৰাইজৰ উপকাৰ হলহেতেন। নাৰ্চৰ কোৱাৰ্টাৰ সমূহ হৈছে কিন্তু ডাক্তৰ যোৱা ব্যৱস্থা নাই। চাৰ চেণ্টাৰৰ ডিচ্পেন্সাৰী বিলাক ডাক্তৰ নাই, সপ্তাহত ২-১ দিন গলেও সেই ঠাইক মানুহে চিকিৎসা পায়। এইটো কিয় হোৱা নাই বুজি নাপাওঁ। আজি সকলো ঠাইত আলোড়ন উঠিছে যে সকলতো ডাক্তৰখানা লাগে। ইকালে চৰকাৰৰ

টকা নাই। চৰকাৰে অন্ততঃ ভেনে ঠাই বিলাকলৈ চৰকাৰী হস্পিটালৰ পৰা ২-৩ জন ডাক্টৰ সপ্তাহত ভুদিনমান হলেও পঠোৱাৰ ব্যৱস্থা কৰিব লাগে। তেতিয়া হলে হয়তো অলপ সকাহ পোৱা যাব। তাৰ মানে এইটো নহয় যে হস্পিটাল খুলিব নালাগে অন্ততঃ অলপ দিনৰ কাৰণে সাধাৰণ ব্যৱস্থা দি জনসাধাৰণ কাৰণে পিচত আৰু এটা কথা হৈছে যে আমাৰ গুৱাহাটী মেডিকেল কলেজ স্থানান্তৰ কৰি মহেন্দ্ৰ মোহন চৌধুৰী হস্পিটাল খোলা হল। গাৱত ঢল উঠিল য়ে তাত চাকৰি ওলাইছে গতিকে সকলোকে চাকৰি লাগে। চাকৰিৰ বাবে কাৰ ওচৰলৈ যাব লাগে বুজি নাপাওঁ। অফিচাৰৰ ওচৰলৈ গলে কয় মন্ত্ৰীৰ পৰা লিখি আনক, আকৌ মন্ত্ৰীৰ ওচৰলৈ গলে কয় এম, এল, এৰ পৰা লিখি আনক ইফালে লিখি লৈ গলেও অফিচাৰে চাকৰি নিদিয়ে আমাৰ উঠে খং। এনেয়ে আমাৰ আৰু প্ৰাৰ্থীসকলৰ অহা যোৱা কৰি বহুতো টকা খৰচ হয়। এই বিলাক বন্ধ কৰাৰ কিবা ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা কথাৰ প্ৰতি মই আমাৰ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো আৰু সেইটো হৈছে, মেডিকেল কলেজৰ ডাক্টৰ সকলৰ 'প্ৰাইভেট প্ৰেকটিছ' বন্ধ কৰাৰ কাৰণে এটা আন্দোলন ইতিমধ্যেই আৰম্ভ হৈছে যাৰ কাৰণে অহা বাজেটত হয়তো আমি এইটো উঠাই দিবলগীয়াও হবপাৰে। গুৱাহাটীয়েই হওঁক কিম্বা ডিব্ৰুগড় মেডিকেল কলেজতেই হওঁক একো একোটা লাইনত ৫০০।৬০০ মানুহে ৰাখি থাকিব লগীয়া হয়। তাৰোপৰি, দুই তিনি ৰাতিও থাকি থাকিব লগীয়া অৱস্থা হৈছে। এই বিষয়ে আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে চিন্তা কৰক 'প্ৰাইভেট প্ৰেকটিছ' বন্ধ কৰক তাত আমাৰ আপত্তি নাই সেই পৰিমানে পৰিস্থিতিৰ লগত জোৰা মাৰিব পৰাকৈ ডাক্টৰৰ সংখ্যা বঢ়াবলাগে এই খিনিকে কৈ মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱটো

সমৰ্থন কৰি বহিলো ।

Shri Mahammad Umaruddin : Sir, in this grant there are certain componets. The first one covers Rs. 3.,00,000 to much increasd Finacil Commitments arising out of the revision of the pay-scales andfilling up of some vacant posts. Now Sir, this is very important. If the Government want to post doctors against the vacant posts and cannot do so for want of money then this demand is justified, otherwise some people will be deprevel of health service. I want to bring out another point in this connection. Have we got suppliment of doctros thgoughout the State? If so, how many? In the post the norms was one doctro for every 3000 population including private doctro Now, Sir, I believe the norm has been changed and fixed at one doctro for every 1,000 population We have got a oepulation of 2 crores in the State and, therefore, we require 20,000 doctors in the State including private doctors, Further, there is no private doctor available in the rural areas except in the urban areas Sir, my submission is that if we want to fulfil the latest norm so as to provide adequate health service, which fully under Welfare service then a much large finencial problirn will be arise. So I request the Hon'bie Minister to let the House know what is his optimum requirement and the number of doctors required to

maintain the service, that is, how many he has got in problem at present and a gap laits between the two Sir, the next point is with regard to the construction of buildings for the District Hospitals. Sub-Divisional Hospi tals, many of which have remained incomplete for a number of years. Sir, in a welfare society and welfare State, two things are very important. One is education and the other is health. There are many other things politically important and developmenth perhaves such as PWD Road etc. Therefore, it is essentirily necessary to provide a efficient systems of health and education at services. In other words, the move from the hon'ble Minister should be to work for adequte fund to maintain satisfaetory service through out the state and financial control should not stanted in the way.

Shri Binoy Kumar Basumatary :— Sir, I want to deal with only one point and support the cut-motion. Sir, in the explantory note 4 it say s/, in the last line amount "required for giving grant-in-aid to the voluntary organisation like Indian Red Cross Society, Chandmari, Gauhati". Sir, we want to know how much amount is being allocated to the Indian Red Cross Society because we hear a lot complaints against Indian Red Cross Society. Sir, we are told that it is a rehabilitation ceetre

for the retired doctors. We want to know whether it is a fact or not. We are told that the grant granted to them is misused for travelling purposes and for going to all the places within the State. We are also told that their main activities should be at the time of calamities like flood, earth-quake and in epidemic areas. We hava not been favoured with any intimate knowledge of the working of the Indian Red Cross Society. I however, support this cut motion but want to know the amount of grant to be allocated to the Indian Red Cross Society and this activities.

ডঃ শ্ৰীভূমিধৰ বৰ্ম্মণ :— মাননীয় অধ্যক্ষ মহোদয়, 'ইন্ডিয়ান ৰেড ক্ৰছ চছাইটি, চান্দমাৰীত এটা' এন, এম, ট্ৰেইনিং চেণ্টাৰ আছে। ইয়াৰ কাৰণে ভাৰত চৰকাৰৰ পৰা টকা আহে আৰু এই টকাটো আহে আমাৰ জৰিয়তে। ২০০ টকাকৈ প্ৰত্যেক জন ট্ৰেইনিৰ চলাৰ কাৰণে আৰু ১০০ টকা 'ইউনিফৰ্ম' আদিৰ কাৰণে ধাৰ্য্য কৰা থাকে অৰ্থাত প্ৰত্যেক গৰাকী ট্ৰেইনিয়ে সৰ্ব্বমুঠ ৩০০ টকাকৈ পায়। মাননীয় সদস্য জনে কোৱাৰ নিছিনাকৈ আপত্তি আদি আমিও পাইছো আৰু এই বিষয়ে চাই থকা হৈছে আৰু ভৱিষ্যতেও চাম। এই টকাটোৰ প্ৰত্যেক পইচাই যাতে সন্থাৰত খৰছ হব পাৰে তাৰ কাৰণে আমি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছো। এই খিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবৰ কাৰণে অনুৰোধ কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, টকাৰ হিচাবটো মোৰ হাতত নাই, কেৱল বেটটোহে আছে। গোটেই কথাটোৱেই হল 'কাট মোচন' টোৰ ওপৰতহে। মাননীয় সদস্য শ্ৰীহোছেইন ডাঙৰীয়াই

বিশেষকৈ এটা কথাৰ প্ৰতি আপত্তি দৰ্শাইছে আৰু সেইটো হৈছে মৰিগাওঁ চিভিল হস্পিটাল সম্পৰ্কত। মৰিগাওঁ চিভিল হস্পিটাল খন মুকলি কৰা আজি বেছিদিন হোৱা নাই। স্বাভাবিকতে মুকলি কৰাৰ লগে লগেই পোষ্ট আদিৰ ব্যৱস্থা কৰা হয়। অলপ সময়ৰো দৰ্কাৰ হয়। তথাপিও আগৰ পি, এ, ইচ, ই হিচাবে যি কেইজন ডাক্টৰৰ 'চেংশন' আছিল সেই কেইজনৰ উপৰিও বাকী ডাক্টৰ সকলো অনুমোদন হলেও তাত নিয়োগ কৰা হব। তাৰোপৰি বানপানী আদি হলে বানপানী অধ্যষিত অঞ্চল সমূহত ডাক্টৰ আদি নিয়োগ কৰিব লগীয়া হয়। সেইকাৰণেই মাজে-সময়ে পৰিস্থিতি বুজি চিভিল হস্পিটাল আদিত কাম কৰি থকা ডাক্টৰ সকলকো নিয়া হয়। এনেকুৱা কাৰণতেই বোধকৰো মৰিগাওঁতো মাননীয় সদস্য জনে কোৱাৰ নিছিনা হৈছিলনেকি ? হলেও মই সেইটো চাম আৰু এটা কথা কৈছে যে, ডাক্টৰ সকল 'ক্লিনিকতেই' বেছিথাকে। এই অভিযোগ অকল ইয়াতেই নহয়, বাতৰি কাকততো দেখা যায়।

অধ্যক্ষ মহোদয়, বিশেষকৈ মেডিকেল কলেজ আৰু আমাৰ মহেন্দ্ৰ মোহন চৌধুৰী হস্পিটালত আৰম্ভ কৰিছো। ইয়াৰ কাৰণে নন প্ৰেক-টিচিং এলাউন্স আদিৰ নামত বেছি পইচাও দিয়া হৈছে। এইটো সকলো খিনি মেডিকেল চিচ টেমতে নোহোৱা পৰ্য্যন্ত এনে আপত্তি আহিয়েই থাকিব। এই কথাত মইও মাননীয় সদস্য সকলৰ লগত একমত। কিয় দৰমহা বেছি কৰি দিয়া হৈছে সেই বিষয়েও তেখেতে কৈছিল কিন্তু আমি সেইটো আমাৰ বৰীয়াকৈ সিদ্ধান্ত লোৱা নাই। দৰমহা আয়োগৰ সিদ্ধান্ত মৰ্ম্মেহে আমি ধন দিছো।

মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই এ-এন-এম ট্ৰেইনিঙৰ চেন্টাৰৰ সম্পৰ্কে কৈছে। এইটো অতি প্ৰয়োজনীয় কথা আৰু আমি চৰকাৰে এইটো কথা মানি লৈ বৰ্ত্তমান এ-এন-এম ট্ৰেইনিং চেন্টাৰ সংখ্যা

বঢ়াই দিয়া হৈছে । আমি এ-এন-এম ট্ৰেইনিং দিয়াৰ ব্যৱস্থা লৈছো। এই উদ্দেশ্যে চাৰ চেণ্টাৰ খুলিবলৈ লৈছো আৰু তাৰ উপৰিও চিভিল হস্পিটালৰ ভিতৰত হাফলং, নলবাৰী, মঙ্গলদৈ, কোকৰাঝাৰ, শিৱসাগৰ, কৰিমগঞ্জ, শিলচৰ, মৰিগাওঁ, বৰপেটা ডিফু, আদি চিভিল হস্পিটালত ত্ৰিশ গৰাকীকৈ এ-এন-এম ট্ৰেইনিং দিয়াৰ ব্যৱস্থা ইতিমধ্যে কৰা হৈছে। ইয়াৰোপৰি গুৱাহাটী মেডিকেল কলেজ হস্পিটালতো আসন বঢ়াবলৈ সিদ্ধান্ত লোৱা হৈছে । যোৰহাট চিভিল হস্পিটালতো আসন বঢ়াবলৈ সিদ্ধান্ত হৈছে । এই ট্ৰেইনিং লোৱা এন-এম বিলাক ওলাই আহিলে চাৰ চেণ্টাৰ বিলাকলৈ পঠিয়াবলৈ অসুবিধা নহব । এতিয়া চাৰ চেণ্টাৰ বিলাকৰ নামত এ-এন-এম নাই বুলি যিটো আপত্তি শুনি থকা হৈছে সেইটো মইও স্বীকাৰ কৰো আৰু আশা কৰিছো এই ট্ৰেইনিং প্ৰাপ্ত সকল ওলাই আহিলে সেই অসুবিধা আতৰ হব । শ্ৰীযুক্ত দাস ডাঙৰীয়াই এই এ-এন-এম ট্ৰেইনিংৰ ক্ষেত্ৰত স্থানীয় ভাৱে নিৰ্বাচনৰ কথা কৈছিল সেইটো আমাৰ ফালৰ পৰা নিৰ্দ্দেশ দিয়া হৈছে । বিভিন্ন ঠাইত এ-এন-এম ট্ৰেইনিঙৰ ব্যৱস্থা কৰা হৈছে । তাতে স্থানীয় ভাৱে মেট্ৰিকুলেট ছোৱালী নিৰ্বাচন কৰাৰ কাৰণে চিফ মেডিকেল এণ্ড হেল্থ অফিচাৰক সভাপতি পাতি এখন জিলাভিত্তিক কমিটি কৰি দিয়া হৈছে । আগতে কেন্দ্ৰীয় ভাৱে চিলেকচন কৰা হৈছিল যদিও এতিয়া ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰি জিলা পৰ্য্যায়ত কৰাৰ ব্যৱস্থা কৰা হৈছে । স্থানীয় ভাবে কথা বিলাক বুজি শুনি চাই নিৰ্ব্বাচন কৰিলে বেছি ভাল হব ভাবিয়েই এইটো কৰা হৈছে । আমাৰ অধ্যক্ষ মহোদয়ৰ সমষ্টিতো চৰ এলেকা আছে । আমি চৰ এলেকাৰ কাৰণে যিহেতু তাত মেট্ৰিকুলেট ছোৱালী পোৱা টান হয় বা তাৰে আন ঠাইৰ পৰা যোৱা অসুবিধা হব সেই ভাবি স্থানীয় ছোৱালীক মেট্ৰিকুলেট নাপালেও ক্লাচ নাইন টেন পঢ়াকো নিৰ্ব্বাচন কৰিকলৈ দিয়াৰ ব্যৱস্থা কৰিছো। কাৰি

আংলং আৰু এন-চি-হিলচ্‌তো এই ব্যৱস্থা বাহাল ৰখা হৈছে ।

মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই ৰেজিঅ' নেল নাচিং কলেজৰ প্ৰিন্সিপাল সম্পৰ্কত এটা অভিযোগ উত্থাপন কৰিছিল । এই আপত্তি মই কেইদিন মানৰ আগতে পাইছো দৰ্খাস্ত এখনৰ যোগে আৰু স্বাস্থ্য আয়ুক্তক গোটেই কথাটো তদন্ত কৰি চাবলৈ দিছিলো আৰু তেওঁ সকলো বিলাক কাগজ পত্ৰ চাই জনাইছে যে ইয়াত কোনো ইৰেগুলাৰিটি হোৱা নাই । নিতান্ত উপায় নোহোৱা কাৰণে আৰু এম-এচ-চি কেণ্ডিডেট নাই কাৰণেই অভিজ্ঞতাৰ কথা চিন্তা কৰি নিযুক্তি দিয়া হৈছে । তথাপিতো মাননীয় সদস্য গৰাকীয়ে উত্থাপন কৰিছে যেতিয়া মই স্বাস্থ্য আয়ুক্তৰ পৰা সকলো বিলাক কাগজ পত্ৰ আনি মই নিজে চাম আৰু সেইতো জনাম ।

মাননীয় সদস্য শ্ৰীবড়ো ডাঙৰীয়াই আপত্তি দিছিল যে পি-এইচ-চি বিলাকত ডাক্টৰ নাই । মইও এইটো স্বীকাৰ কৰো যে বহুত বিলাক পি-এইচ-চিত ডাক্টৰ নোহোৱা হৈছে ইয়াৰ কাৰণ হৈছে কিছুমান ডাক্টৰে ৰিটায়াৰ কৰিছে, কিছুমানে চাকৰি এৰি গুচি গৈছে আৰু কিছুমান চাহ কোম্পানী, অইল কোম্পানী অথবা ৰেলওৱে বিভাগলৈ যোৱাৰ কাৰণেও এনেকুৱা নোহোৱা নহয় । এইটো মইও স্বীকাৰ কৰিছো । কিন্তু আমাৰ ফালৰ পৰা ডাক্টৰৰ নিযুক্তি দি থকা হৈছে । এতিয়া লৈকে এই চৰকাৰে দায়িত্ব হাতত লোৱাৰ পৰা চাৰিশ মান ডাক্টৰক নিযুক্তি দিয়া হৈছে । অৱশ্যে বানপানী আদি, গ্ৰহণী আদি হোৱা ঠাইলৈ পি-এইচ-চিৰ ডাক্টৰক পঠাব লগীয়া হোৱা কাৰণেও বহুত ঠাইত ডাক্টৰৰ অসুবিধা হৈছে কিন্তু আমি পৰা পক্ষত ডাক্তৰৰ পোষ্ট ফিল আপ কৰি আছো । যাতে ডাক্তৰখানাৰ যোগেদি ৰাইজে ডাক্তৰৰ সেৱা পাব পাৰে তাৰ কাৰণে চেষ্টা কৰি থকা হৈছে । এতিয়াও আমি ডাক্তৰৰ নিযুক্তি দিয়াই আছো । মেডিকেল কলেজত তেওঁলোকক ট্ৰেইনিং দিয়াৰ ব্যৱস্থা কৰা হৈছে যাতে

অভিজ্ঞ ডাক্তৰৰ লগত থাকি শিক্ষালাভ কৰিব পাৰে। বেমাৰী চোৱা চিতা আদি কামত অভিজ্ঞ ডাক্তৰৰ লগত থাকি অভিজ্ঞতা লাভ কৰাৰ পিচত তেওঁলোকক বেলেগ ঠাইত দিয়াৰ ব্যৱস্থা কৰা হয়। আমাৰ তিনিও জন মেডিকেল কলেজতে এই ব্যৱস্থা কৰা হৈছে। বেৰচ বাই বেৰচ এই কাম থকা হৈছে। তেওঁলোকক চৰকাৰৰ ফালৰ পৰা দৰমহা দিয়া হব।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বৰ্ড়ো ডাঙৰীয়াই কৈছিল চাব চেণ্টাৰত এ, এন, এম, নাই। আমাৰ এ, এন, এম, ৰ কাম আছে। আগতে ট্ৰেইনিং চেণ্টাৰ হোৱা নাছিল। এই ট্ৰেইনিং চেণ্টাৰ হোৱা হলে নিৰবেই বিপদত নপৰিলহেতেন। ট্ৰেইনিংৰ সময়ত যোৱাৰ পিছত এই অভাৱ পুৰণ হব।

মেডিকেল বোৰ্ডৰ কথা ডাঙৰীয়াই কৈছে। এই ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰৰ আৰ্চনিৰ ভিতৰত নাই। আগতে বহুতো ঠাইত মেডিকেল চেণ্টাৰ বিচাৰিছো। কিন্তু এতিয়া কেন্দ্ৰত যি আৰ্চনি আছে তাত সেই ব্যৱস্থা নাই। সেই কাৰণে আমি মেডিকেল বোৰ্ড কৰিব পৰা নাই। আমাৰ নিজৰ কাম কৰি সেইটো মিলাব নোৱাৰি। প্ৰয়োজন থকাৰ কাৰণে বচাবলগীয়া হৈছে। কেন্দ্ৰীয় চৰকাৰৰ আচনি নোহোৱাৰ কাৰণে এই কথাটো অনুভৱকৰিব পৰা নাই।

আমাৰ বৰ্ড়ো ডাঙৰীয়াই ডাক্তৰ সকলে তিনিমাহ ধৰি দৰমহা নপোৱা বুলি কৈছে। তেওঁলোকৰ চিলঙৰ পৰা পিন্সিপাল আহিব লাগে। সেই কাৰণে এনেকুৱা হৈছে। চৰকাৰী ফালৰ পৰা আমাৰ ডাক্তৰ সকলক কৰ্ম্মচাৰী সকলক ঠিক সময়ত পইচা পাব লাগে সেইটো কৰি আছে। যিসকলৰ পেন্সিপাল আহিব লাগে চিলঙত এ, জি, অফিচ হোৱাৰ বাবে বহুদূৰ হয় আৰু তাৰ কাৰণে অসুবিধা হৈ আছে।

চিভিল হস্পিটেলৰ কাম হোৱা নাই । বিত্ত মন্ত্ৰী ডাঙৰীয়া আছেই । তেখেতক অনুৰোধ কৰি আছো । যেতিয়া টকা পইচা পাম এইবিলাক আমি কৰিব পাৰিম । ইতিমধ্যে ফেমিলি ওৱেলফালৰৰ পৰা যি টকা পাইছো তাৰে কিছু টকা ফেমিলি ওৱেলফালৰৰ লগত থাকিলহেতেন সেইবিলাকৰ ক্ষেত্ৰত আমি সিদ্ধান্ত কৰিম । স্বাস্থ্য বিভাগৰ কাম কাজ কৰিবলৈ তিনি কোটি টকা বিচাৰিছে । এই ক্ষেত্ৰত আমাৰ বিত্ত বিভাগে সহায় কৰি আছে । এইখিনি পালে কামবিলাক কৰি দিব পাৰিম ।

আমাৰ মথুৰা ডেকা ডাঙৰীয়াই চাব চেণ্টাৰত ডাক্তৰ নেথায় বুলি কৈছে । চাব চেণ্টাৰ বিলাকৰ ডাক্তৰৰ প্ৰয়োজন নাই । মাজে সময়ে পি, এইচ,চি,ৰ পৰা সপ্তাহত দুই দিনকৈ ডাক্তৰক উপস্থিত হবলৈ দিয়া হয় । পি, এইচ, চি, ত চাৰিশ, পাচশতকৈ বেছি ৰোগী হয় । কিছুমান ঠাইত ডক্তৰ যাবলৈ অসুবিধা । কিন্তু আচনি কৰি গাওঁলৈ বাধ্য কৰোৱা হৈছে আৰু গৈও আছে । অৱশ্যে সকলো সময়তে নহয় ।

অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে কব বিচাৰিছো আমি চৰকাৰে টি, এ, এডানচ দিয়া নাই । সেইবিলাক যাতে উপযুক্ত ভাৱে পাব পাৰে তাৰ ব্যৱস্থা লৈছো । কিন্তু আমাৰ চৰকাৰে তেনে-কুৱা টি, এ, দিয়া নাই । আমাৰ মাননীয় সদস্য সকল আৰু আমাৰ অতি বয়োজেষ্ঠ জ্ঞানী সদস্য ওমকদ্দিন চাহাবে ভাল পৰামৰ্শ দিছে আৰু মোক লগ পালে পৰামৰ্শ দিয়ে । তেখেতকলৈ এবাৰ এখন কমিটি কৰা হৈছিল । এই বিভাগটো কেনেকৈ ভাল কৰিব পাৰি সেই বিষয়ে তেখেতে কমিটিৰ প্ৰতিবেদন দাখিল কৰিছিল । সেই বিষয়ে মই অধ্যয়নো কৰি আছো ।

এইখিনি কৈ মই মাননীয় সদস্য সকলক এই কৰ্ত্তন প্ৰস্তাৱটো উঠাই ললৈ অনুৰোধ জনাইছো ।

শ্ৰীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, মই স্পষ্টীকৰণ বিচাৰিছো যিবিলাক চাব চেন্টাৰ হব সেইবিলাকত যাতে এ, এন, এম, ৰ প্ৰশিক্ষণৰ বাবে অনুন্নত ছোৱালীক নিৰ্বাচিত কৰে। কিন্তু অনুসুচিত জাতিৰ ছোৱালীয়ে এ, এন, এম, ৰ বাবে ফৰ্ম নাপালে আৰু তেওঁলোকক নিৰ্বাচিত নকৰিলে। মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা লব জনাবনে ?

শ্ৰীভুমিধৰ বৰ্ম্মণ :— অধ্যক্ষ মহোদয়, যিবিলাক বিষয়াই চৰকাৰী নিৰ্দ্দেশ নামানে সেই বিলাকৰ বিৰুদ্ধে ব্যৱস্থা লম।

শ্ৰীঅলিত বড়ো :— মাননীয় অধ্যক্ষ মহোদয়, তেখেতে উল্লেখ কৰিছে যে বড়ো অঞ্চলত যদি মেট্ৰিক পাছ কৰা ছোৱালী নেথকে এ, এন, এম প্ৰশিক্ষণৰ কাৰণে আন্দাৰ মেট্ৰিক দিয়া হব আমাৰ জনজাতীয় মেট্ৰিক পাছ কৰিব নোৱাৰিলে জনজাতীয় আন্দাৰ মেট্ৰিক ছোৱালী লব নেকি ?

শ্ৰীভুমিধৰ বৰ্ম্মণ :— অধ্যক্ষ মহোদয়, এইটো বিবেচনা কৰি চাম।

শ্ৰীমহম্মদ হুচেইন :— মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক এটা কথা জনাব বিচাৰিছো যে তেখেতে যিটো বিভাইচ স্কেল বিচাৰিছে সেইটো পে কমিছনে দিব বিচাৰিছে। মই জানা পে কমিছনৰ ৰিপোৰ্ট ১৯৮৩ চনৰ পৰা ১৯৮৪ চনৰ শেষ হব। কিন্তু ১৯৮৪ চন শেষ হবলৈ এতিয়াও চাৰি মাহ বাকী আছে। ১৯৮৪ চনৰ পৰা বাজেট ধৰা নহল আৰু ইয়াৰ এফেক্ট কি হল ? গতিকে ডাক্তৰসকলৰ যিখিনি সুবিধা লাগে সেইখিনি দিব লাগে। এই বিষয়ত আপত্তিও কৰিছিল। পে কমিছনৰ ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰি এইটো কৰিছে। ১৯৮৩ চনৰ ১৯৮৫ লৈ তাৰ কোনো উল্লেখ নাই আৰু ১-৪-৮৪ তাৰিখে চিভিল হস্পিটাল অপুন কৰিছে। এতিয়ালৈকে তাত কিমানজন ডাক্তৰ লব সেই বিষয়ত মন্ত্ৰীমহোদয়ে সেইটো জনাবনে ?

মাননীয় অধ্যক্ষ :— শুনক, সেইটো তেখেতে কলে, প্ৰথমতে ৰিপোৰ্ট কৰিছে । সেইটো কব নালাগে । ক্লিয়াৰিফিকেশ্বন চাওঁক ।

শ্ৰীমহম্মদ হুচেইন :— মৰিগাওঁৰ চিভিল হস্পিটালখন এক এপ্ৰিল ১৯৮৪ চনতেই আৰম্ভ কৰিলে । আজি ৮ মাহ পাৰ হৈ গ'ল । তাত যিখিনি ষ্টাফ দৰকাৰ আৰু অন্যান্য খৰচ ইত্যাদি লৈ ফাইনেঞ্চলৈ অনুদান বিচাৰিলে কিন্তু আজি ৮ মাহেও তাৰ চেনচন অহা নাই । বাজেট অধিবেশনও হৈ গ'ল, চেপ্তেম্বৰ চেচন হৈ গ'ল কিন্তু আজিও কিয় তাৰ কোনো এফেক্ট নহ'ল । গতিকে এইটো কেতিয়া হব এই বিষয়ে আমাৰ আশ্বাস দিব লাগে । তাৰ পাচত আন এটা কথা হ'ল আমাৰ কিছুমান বেমাৰৰ বিশেষজ্ঞ, সকলক অধ্যয়ন কৰিবলৈ চৰকাৰী টকাৰে বাহিৰলৈ পঠোৱা হয় । কিন্তু তেনেধৰণৰ লোকক ট্ৰেইনিং লৈ অহাৰ পাচত আজিও কোনো এপইন্টমেন্ট দিয়া হোৱা নাই । গতিকে সেই বিষয়ে এটা স্পষ্টীকৰণ বিচাৰিছো । আৰু ইয়াৰ এটা উত্তৰ পালে মই নথৈ সুখী হম।

ডাঃ ভূমিধৰ বৰ্ম্মণ :— মই তেখেতক আশ্বাস দিব বিচাৰিছো যে কেইদিনমানৰ ভিতৰতে এই মৰিগাৱৰ চিভিল হস্পিতালৰ ষ্টাফখিনি আমি দিম । তাৰ পাচত তেখেত বিশষজ্ঞৰ ট্ৰেইনিঙৰ কথা কৈছে । সেইটো হ'ল আমি কোনো কোনো চাবজেক্টত চৰকাৰৰ ধন খৰচ কৰি কোনো বিষয়ত ট্ৰেইনিং লবলৈ বাহিৰলৈ পঠিয়াও আৰু সেই লোক সকলে ট্ৰেইনিং লৈ অহাৰ পাচত যদি তাত ভেকেন্ট পোষ্ট থাকে তাতেই নিযুক্তি দিয়া হয় নহয়তো ট্ৰেইনিং লবলৈ যোৱাৰ সময়ত তেওঁ যিটো পোষ্টত আছিল তাতেই নিযুক্তি দিয়া হয় । পিচত যেতিয়া পোষ্ট খালি হয় তেতিয়া প্ৰমোচন দিয়া হয় । নহলে চৰকাৰৰ ধন খৰচ কৰি তেওঁ লোকক বাহিৰলৈ পঠোৱাৰ কিমানে থাকিব পাৰে, তেওঁলোকৰ ট্ৰেইনিঙও কামত লগোৱা হয় । মাননীয় অধ্যক্ষ মহোদিয়ে মোক এই বিষয়ে কৈছিল মই সেই ক্ষেত্ৰত নিৰ্দ্দেশ দিছো ।

মাননীয় অধ্যক্ষ :— মন্ত্ৰী ডাঙৰীয়াই ইন্দাইৰেক্টলি ৰিপ্লাই দিলেই । গতিকে ইয়াৰ ওপৰত আৰু বিতৰ্ক কৰিব নালাগে ।

শ্ৰীমহম্মদ হুচেইন :— মই ব্যক্তিগত মানুহৰ কথা নাই । আমাৰ কথা হ'ল ট্ৰেইনিং লোৱাৰ পাচত তেওঁলোকৰ চাৰ্ভিচটো আমাৰ জনসাধাৰণে পাব লাগে । মন্ত্ৰী মহোদয়ে যি প্ৰতিশ্ৰুতি দিলে তাত মই সন্তুষ্ট হৈছো । আশা কৰো এই পবিত্ৰ সদনত তেখেতে যিখিনি প্ৰতিশ্ৰুতি দিলে সেইটো যেন অতি সোনকালে কাৰ্য্যকৰী কৰে তাকেই কামনা কৰি কৰ্ত্তন প্ৰস্তাৱটো উঠাই ললো ।

Mr. Speaker :— Is it the pleasare of the sugust House to grant leave to withdraw the cut motions ? (Leave is granted and the cut motions are withdrawan.) Now, I put the supplementry demand for grant No. 34 that additional amount of Rs. 75 lakhs 50,000/- be granted to Minister in Charge to defray certain charges which will come course of payment during the year ending 31st March/85 in respect of Medical and Family Welfare anb Public Health.

Supplementary Demand for Grant No. 34 is passed.

Now Grant No— 43, Hon'ble member Sri Rongpi is to move.

Shir Dhaniram Rongpi :— On recommendation of the Governor of Assam, I beg Sir to move that

an additional amount of Rs. 4 lakh be granted to Minister in Charge to defray certain charges which will come in course of payment during the year ending 31st March 1985 in respect of Welfare of Scheduled Caste and Scheduled Tribe and Other Backward Classes.

Mr. Speaker :— Here is a cut-motion tabled by Shri Hemen Das. Shri Hemen Das to move.

Shri Hemeu Das :— Sir, I would not move any cut motions.

Mr. Speaker :— So, there is no cut motion. (Laughter). I Pur the Supplementary Demand No. 43 that an additional amount of Rs. 4 lakh be granted to Minister in Charge to defray certain charges which will come in course of payment during the year ending 3 st March in respect of Welfars of Scheduled Caste and Schduled Tribe and Other Backward Classes.

Supplementary Demaud for Grant No. 43 is passed.

Shri Dipak Moormoo :— Sir, on the recommendation of the Governor of Assam, I beg to move that an additional amount of Rs. 12,00,000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the

year ending the 31st March, 1985 in respect of "Social Welfare Schemes".

Mr. Speaker :— There is no cut motion to this grant. Now, I put the Supplementary Demand for Grant No. 44 "that an additional amount of Rs. 12,00,000 be granted to the Minister-in-charege to defray certain charges which will come in the course of payment during the year ending the 31st March, 1985 in respect of "social welfare scheme".

( The motion is adopted )

Now, Grant No. 47, Shri Gogoi to move.

Shri Deshab Chandra Gogoi :— Sir, on the recommendation of the Governor of Assam, I be to move that an additional amount of Rs. 15,00,000.00 be granted to the Minister-in-charge to defray certain which will come in the course of payment during the year ending the 31st March, 1985 in respect of "Natilonal Calamities":

Mr. Speaker :—There are 3 cut motions one is tabled by Shri Afzalur Rehman and Shri Mathura Deka, Second one is tabled by Shri Benoy Kumar Bsumatary Shri Kaizasong and the third one is moved by

Shri Hemen Das and Shri Purno Boro. Now, Shri Deka....

শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মহোদয় মই অতিৰিক্ত দাবী মঞ্জুৰীৰ ১৫,০০,০০,০০০ টকা ৪৭ নং দাবী মঞ্জুৰীৰ পৰা কৰ্ত্তন কৰি ১০০ টকা লৈ ঘাটি কৰি সম্পূৰ্ণ দাবী মঞ্জুৰী ১৫০০,০০,০০০ টকা ১০০ টকা ঘাটি কৰিব বিচাৰিছো।

Shri Binoy Kumar Basumatary :— Sri, I beg to that the total provision of Rs. 15.00,00,000 under Supplementary Demands for Grant No. 47, in respect of "National Calamities", at pages 9-10 of the list of Supplementary Demands, be reduced by Rs.100.00, i.e., the amount of whole Supplementary Demand of Rs. 15,00,00,000 do stand reduced by Rs. 100.00.

Shri Hemen Das :— Sri, I beg to move that the total provision of Rs. 15,00,00,000 under Supplementary Demands for Grant No. 47, in respect of "Nationral Calamities" at pages 9-10 of the list of Suppleme-ntary Demands, be reduced by Rs. 100,00 i.e. the amount of the wFole Supplementary Demand of Rs. 15,00,00,000 do stand reduced by Rs. 100.00.

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, প্ৰাকৃতিক দুৰ্যোগৰ শিতানত ১৫ কোটি টকা ধাৰ্য্য কৰিছে আৰু সেইটোত আমি কৰ্ত্তন প্ৰস্তাৱ আনিব বিচাৰিছো। ইয়াৰ মূল কাৰণ হ'ল প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে টকাৰ

অতি আৱশ্যক আৰু এই প্ৰাকৃতিক দুৰ্য্যোগ আমাৰ হৈয়ে থাকে কিন্তু কথা হ'ল কিছুমান খামখিয়ালিৰ কথা মই প্ৰথমতে কব খুজিছো। মোৰ বিশেষকৈ কমলপুৰ আৰু ৰঙিয়া সমষ্টিত বানপানীৰ ক্ষেত্ৰত যথেষ্ট সাহাৰ্য্য পোৱা হৈছে। কিন্তু তাত কিছুমান কথা আছে আৰু সেইটো কমলপুৰত দেখিছো বানপানী আহিলে কিছুমানে কান্দে আৰু কিছুমানে হাহে। বানপানীৰ সময়ত চৰকাৰ সাহাৰ্য হিচাপে বানপীড়ি লোকলৈ খোৱা সামগ্ৰীপঠিয়াই। সশ্য বোৰ পোৱাৰ সময়ত চাৰ্কোল বিষয়া সকলে বস্তু বাহানী সমূহ বিতৰণ কৰে কিন্তু বস্তু সমূহ গ্ৰহণ কৰাৰ সময়তও তেওঁলোকে জোখমাথ কৰা নাই আৰু দিবৰ সময়তো জোখমাথ কৰা নাই। ৰাইজৰ মাজত বিতৰণ কৰা সময়ত জোখমাথ কৰাৰ কাৰণত, কিছুমান লোকে সাহৰ্যৰে বস্তু পালে কিছুমানে নেপানে। মানানীয় মন্ত্ৰী মহোদয়ে ঘোষণা কৰিছিল যে প্ৰতিজন লোকক ৬ শ গ্ৰামকৈ চাউল দিব লাগে কিন্তু সেইবিলাক জোখমাথ নকৰাকৈ দিয়া হৈছে। ৰাতি যিবিলাক ট্ৰাক আহে সেইবিলাক আধঘণ্টাৰ ভিতৰতে আনলোড কৰি পঠিয়াই দিয়া হয়। তাত কিমান চাউল আছিল সেইটো মাপ কৰা নহল। জনসাধাৰণেও কিমান আহিল জানিবলৈ সুবিধা নাপায়। ৰাতি ১২ বজাতো সাহাৰ্যৰে মাললৈ যোৱা গাড়ী খালাচ কৰি পঠিয়াই দিয়ে। নিয়ম মতে এককুণ্টলকৈ থাকিব লাগে। কিন্তু ৭০। ৮০ কজি মাত্ৰ বস্তা বোৰত পোৱা যায় এই ২৫। ৩০ কেজি কোনে খায়। গতিকে আজি এই যি বৃহৎ পৰিমানৰ ধন ৰিলিফৰ কাৰণে দিয়া হৈছে তাৰে ৰাইজ যিমানখিনি উপকৃত হবলাগিছিল সিমানখিনি হোৱা নাই। মুখ্যমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিলে যে ৩৮ লাখ মানুহ বান বিধ্বস্ত হৈছে। কিন্তু এই হিচাবটো কত পালে নই কব নোৱাৰো। সেইদৰে বীজ বিতৰণৰ ক্ষেত্ৰত গ্ৰাম সেৱক সকলে বা ভি, এল, ই ডব্লিউ বা কৃষি বিষয়া সকলে যত যত বীজ বিতৰণ কৰিলে সেইবিলাক যি সকল প্ৰকৃততে বানপানীত ক্ষতিগ্ৰস্ত সেই সকলে নাপালে। যত ক্ষতিগ্ৰস্ত হোৱা নাই সেই সকলে

হে অধিক ভাবে পালে। এই বিষয়া সকলে বানপানী আহিলে বৰ আনন্দ পায় কাৰণ তেওঁলোকৰ আৰ্থিক উন্নতি হয়। বানপানীৰ সৃষ্টি কৰাৰ কাৰণে তেওঁলোকে চেষ্টা কৰে। ঘাহ যোগান দিয়াৰ ক্ষেত্ৰত পশু-পালন বিভাগতো তেনেকুৱা হৈছে। আৰু যিবিলাক ভুচিৰ যোগান ধৰিছে সেইবিলাক গৰুৱে নাখায়। আমাৰ ৰাজহ মন্ত্ৰী মহোদয়ে সাহাৰ্য্য আগবঢ়াইছে কৃপণালি কৰা নাই। কিন্তু এই টকা পইচা বিলাক উপযুক্ত ভাবে খৰচ হৈছে নে নাই আৰু প্ৰকৃত বিধস্ত মানুহে পাইছে নে সেই বিলাক বিচাৰ কৰিব লাগে। তাৰোপৰি জোখ মাপ নোহোৱাকৈ বস্তু বিলাক বিতৰণ কৰাৰ কাৰণে কিমান অপচয় হৈছে সেইটো চোৱা হোৱা নাই। বৰবিলা, পুঠিমাৰী মঠাউৰি ভাঙি নেচামবা ন কুচি, কেক্ৰাগুৰি ১২৫ ঘৰ মানুহৰ ঘৰ দুৱাৰ ভাঙি গ'ল, তেওঁলোকৰ ঘৰদুৱাৰ নাই। তেওঁ লোকক মাত্ৰ তিনি হাজাৰ টকাকৈ দিয়া হৈছে। ইয়াৰে তেওঁলোকৰ কি হব। তেওঁলোকৰ আজি একো নাই। বান বিধস্ত লোক সকল আহি আঠাৰা বালিকা হাইস্কুল জহৰ জ্যোতি হাইস্কুল আৰু কেন্দু কোনো হাইস্কুলত আৰু কিছুমান মাঠাউৰীৰ ওপৰত আশ্ৰয় লৈছিল। শিবিৰত আশ্ৰয় লোৱা লোক সকল ২ দিন কোনো সাহাৰ্য্য নোপোৱাত লঘোণ পৰে। পেটৰ ভোকত চিঞৰিবলৈ ধৰে। এই শিবিৰত মই স্থানীয় এচ ডিচিক লৈ সাহাৰ্য্য কৰি আনিব দোকান সমূহৰ পৰা বাৰ কুইণ্টল চাউল সংগ্ৰহ কৰি দুৰ্গত লোক সকলৰ জীৱন ৰক্ষা কৰো।

তেওঁলোকৰ ছাগলী, হাহঁ কুকুৰা বয় বস্তু একো উলিয়াব নোৱাৰিলে। ৰাতি এই কাণ্ডটো হলে সমূহ মানুহ মৰিলহেঁতেন। এই অবস্থাত এই মানুহ বিলাকক সাহায্য দিছে সি কোনো কামত নাহে। তেওঁলোকক বেচন দিয়াটো বন্ধ কৰিছে। গতিকে এই ১২৫ ঘৰ মানুহক ছয় মাহ এবছৰলৈ বেচন দিব লাগে। এওঁলোক অসমৰ নিগাজি মানুহ। বান-পানী তেওঁলোকে সৃষ্টি কৰা নাই, সৃষ্টি কৰিছে বান নিয়ন্ত্ৰণ বিভাগে।

বান নিয়ন্ত্রণ বিভাগে কৌষল্যেৰে এই বানপানীৰ সৃষ্টি কৰি থাকে। অভাৰচিয়েৰ জনৰ ৰাজজ্ৰী কালত সাত ঠাইত মথাউৰী ভাঙে। তেওঁ বদলি হোৱাৰ পিছত মথাউৰী ভঙাটো বন্ধ হৈছিল। এতিয়া তেওঁ এচ,এডি, অ হৈ অহাৰ পিছত আকৌ মথাউৰী ভঙা আৰম্ভ হৈছে। এই বৰবিলাত থকা মানুহখিনিক সাহায্য দিব লাগে। আশ্চৰ্য্যৰ কথা বৰবিলাত পুথিমাৰী নদীৰ পানী শুকুৱাৰ পিছত বাইজে বাধা দিয়া সত্ত্বেও ডেৰ লাখ টকা খৰচ কৰি তিনিটা ৰিংবান্ধ বান্ধিছে। বানপানী হলে কিছুমানে কান্দে আৰু কিছুমান মানুহে হাঁহে। বাৰাংহাটী দিহনা আদি সুখতুথ নামৰ ঠাইত বৰনীছা নৈৰ মঠাউৰি ভাঙি এই অঞ্চলৰ মানুহৰ আলাই আথানি কৰে। এই অঞ্চলত পুথিমাৰীৰ পানী আৰু বৰনীয়াৰ পানী লগ হৈ প্ৰবল হেচা দিয়ে। অঞ্চলত মাত্ৰ প্যাচঁ দিন ৰিলিফ পালে। খেতি পথাৰ, ঘৰ দুৱাৰ নষ্ট হৈছে সাহায্য দিয়া নাই। মণ্ডল, এচ,ডি চিৰ চাৰ্টিফিকেটত সাহাৰ্য্য পায়। যিসকলৰ ঘৰ একেবাৰে ভাঙিছে তেওঁলোকক টিনপাত আৰু পোন্ধৰ হাজাৰ টকা দি সহায় কৰিব লাগে। যিসকল তিৰোতাৰ একো নাই তেওঁলোকক সুতা দিয়াৰ কাৰণে অনুৰোধ কৰিছো। আগতেও দিছে যাতে এইবাৰো দিয়ে। এই বানপানীৰ নামত যি ১৫ কোটি টকা দিছে তাৰ উপযুক্ত ভাবে খৰচ হৈছে নে নাই তদন্ত কৰি চাব লাগে। এনেকুৱা কাণ্ড যদি কৰি থাকে তেন্তে ভৱিষ্যতে গ্ৰাণ্ট দিব তেওঁলোকে খাব আৰু ৰাইজে নাপাব। ফলত চৰকাৰৰ বদনাম হব। কমলপুৰৰ বৰবিলাৰ সংক্ৰান্তত তদন্ত কৰিবলৈ অনুৰোধ কৰিলো। এইখিনিকে কৈ কৰ্তন প্ৰস্তাৱটো উত্থাপন কৰিলো। বানপানী বিধ্বস্ত এলেকা কিমান প্ৰকৃত বান প্ৰপীড়িত লোকৰ সংখ্যা তদন্ত কৰাৰ দাবী জনাও। এচ ডিচি মণ্ডল সকলে যি বোৰ ভুল ব্যাখ্যা দিছে তাৰ নিয়ম কৰিব লাগে।

* Shri Benoy Kumar Basumatary :— Mr. Speaker Sir, in suppore of our Cut Motion under sub-head 3,4,5,6 and 7 under Grant No. 47, we approved this Budget in March. We had shown these head wise allocation For instance, we provided Rs. 40 lakhs for Gratuitous relief, Rs. 10.00 lakhs for drinking water, Rs. 8 lakhs for public health, Rs. 1 lakh for supply of fodder and Rs. 5 lakhs for veterinary care. Sir, if we put all the figures together, we find that we have provided Rs. 4 crores. Sir, you woud find allocation for relief under sub head in the Supplementary grant. As regards dringking water, there is no dringking water facilities in the district of Darrang. People in the district cannot get drinking water. Sir, while I was passing through the National Highway, I could not find a single pipe water supply project. Sir, we have lot of things to be discussed and thereforc, we would hope the Hon'ble Minister will come with some details to satisfy us with this question. Then Sir, Rs.8.50 crores are provided for assistance to farmers and Rs. 3 lakhs are provided to clear and, silt and salinity from lands. Sir, we should konw what is the total land which was submerged. This was required to be assessed. How much

* Speech not Corrected

cultivable land was damaged due to sand and siltatino. It is also to be calculatedt how much lime will be provided to kill the salinity of the land. We have now seen something else in this provision. For instance, besides sub-mountain areas of Bhutan and Arunachal Pradeah, we have other flood affaesed arers. We would have to find out how much land in our side have been permanently eroded and Sir, Government have not made any proper survey as to the amount of land that is eaten away. How the Government proposes to refertilise or improve the land ? We do not find any proposal Government has made, atleast here. Therefore Sir, we would like to know whether in the sub-mountain areas that is in the upper ridges of the state, Government proposes to take some measures to control river in the sub-mountain areas so that the land that is under our occupation is not damaged permanently. Then Sir, lastly Government propeses to provide repairs and restoration of roads and bridges costing Rs. 2.50 crores. We would also like to know whether each road and bridges out off would be repaired and resoaed. Sir, we find, in some areas, the approaches to the bridges had been was hed away and if t_e Govt. is proposing to provide Rs. 2.50 crores only for areas where the

flood water is standing then it is highly unjustified. All the sub-mountain areas where roads and bridges got cut off, most of these got repaired but not to our liking. These repairs are absolutely temporary; they put only some and bags and just filled up. This will not last for season and if the rain comes in March-April, this will be washed away. So, sir, even though the government has proposed to provide Rs. 2.50 crores I say that this amount is absolutely insufficient. So, Sir, I think the Govt. will take notice of this and make arrangaments that the roads and bridges in whatever form they are damaged all should be restored and adequate fund should be provided for this.

*শ্ৰীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, শিতানত বহুতখিনি কৰিছে যদিও কৰিব লগীয়া এতিয়াও বহুত বাকী আছে। আমি খবৰ পাইছো যে এতিয়াও বহুত মানুহৰ সংস্থাপন হোৱা নাই। বৰপেটা জিলাৰ বাঘবৰ অঞ্চলৰ ১৯খন গাওঁৰ মানুহ গৃহহীন হল। এই সকলক এতিয়াও সংস্থাপন কৰা হোৱা নাই। এই গাওঁ কেইখন হৈছে বালিকুৰ পাথাৰ, বালিকুৰি গাওঁ, জাহানা পথাৰ, দেওনদী, কয়াকুচি গাওঁ, কয়াকুচি পথাৰ, হাটীজানা, মইনবৰী পাম, মোনাবাৰী, কিচমত মইনবৰী ননকে, কিচমত মইনবৰী খণ্ডকাৰ পাৰা, ফুলবা চটলা, কাটাখালি, বান্দৰমুৰা, হাপাৰচৰ, পাথৰ চালি, বৰজানা, তাৰাকান্দি, ছিকাদাবি। এই ১৯খন গাৱৰ মানুহক যোৱা বানপানীৰ সময়ত কেইদিনমানৰ কাৰণে সাহায্য

* Speech not Corrected

দিছিল। এই মানুহ খিনি কোন কত আছে তাৰ খবৰ নাই, চিকিৎসা বা খাদ্য সাহায্য পোৱাৰ পৰা বঞ্চিত হৈ আছে। এই মানুহ খিনিক পুনৰ সংস্থাপন কৰিবৰ কাৰণে কোনো প্ৰচেষ্টা চলোৱা নাই। তেওঁলোকৰ ওঁৰতে মাটি আছে যদিও তেওঁলোকে সেই মাটি নাপায়। কাৰণ সেই মাটি বিলাক কেইজনমান প্ৰভাৱশালী মানুহৰ দখলত আছে। চৰ অঞ্চলত যি বিলাক মাটি আছে সেই বিলাকো কেইজনমান প্ৰভাৱশালী মাতব্বৰৰ দখলত আছে। মই ৰাজহমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কব বিচাৰিছো যে এই মাটি বিলাক চৰকাৰে উদ্ধাৰ কৰি এই গৰাখহনীয়াই গৃহহীন কৰা লোক সকলক দিয়াৰ ব্যৱস্থা কৰিব লাগে। চৰ অঞ্চলৰ যি বিলাক মাটি আছে সেই বিলাক জৰিপ কৰি এই সকল লোকক তাত পুনৰ সংস্থাপন কৰিব লাগে। আৰু কেইটামান-বাথুৰৰত বিজাৰ্ভ আছে তাত কেইজনমান প্ৰভাৱশালী লোকে জমিদাৰি চলাই আছে। এই মাটিখিনি জমিদাৰ সকলৰ প্ৰভাৱৰ পৰা মুক্ত কৰি গৰাখহনীয়া লোকক মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই মাটি বিলাক, এই লোক সকলক দিয়াৰ ব্যৱস্থা কৰিলেও বাধা ইয়াৰ পৰা নাযায়। বাধা তাৰ, স্থানীয় নেত সকলৰ পৰাই আছে। গতিকে স্থানীয় প্ৰভাৱশালী ব্যক্তিৰ পৰা যি সকলৰ পৰাই আছে। গতিকে স্থানীয় প্ৰভাৱশালী ব্যক্তিৰ পৰা যি বিলাক বাধা আছে সেই বাধা অতিক্ৰম কৰি চৰ অঞ্চলৰ যি হাজাৰ হাজাৰ বিঘা মাটি আছে সেই বিলাক সোনকালে জৰিপ কৰি এই লোক সকলক দিয়াৰ ব্যৱস্থা কৰিব লাগে। দুই এজন লোকৰ কাৰণেই এই মানুহ খিনি বঞ্চিত হৈ থকা কথাটো আমি কেতিয়াও সমৰ্থন কৰিব নোৱাৰো। এই ক্ষেত্ৰত চৰকাৰে দৃঢ় নীতি লৈ আগবাঢ়িব বুলি আশা কৰিছো। অন্ততঃ পক্ষে এই সৰ্ব্বস্ব হেৰুৱা লোক সকলক আধা বিঘাকৈ হলেও ঘৰ বন্ধাৰ কাৰণে মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাত থকা মাতব্বৰৰ মানুহ কেইজন নিৰ্ব্বাচনতো উঠে, চিকিয়ৰিটিও পায়। অথচ চৰ অঞ্চলত প্ৰভাৱ চলাই থাকে। মই এটা খবৰ পাইছো যে এজন মাতব্বৰৰ ঘৰত

৮৫ বস্তা বেহ বিলিকৰ কাৰণে দিয়া পোৱা গৈছে। এই খবৰটো দিছে তেওঁৰে খুলশালীয়েকে। আৰু দুটা চৰ আছে তাত খেতি কৰে দুজন মানুহে। এজনে তেওঁলোকৰ মাজত কাজিয়া লগাই দিলে। ফলত দুয়োটা চৰৰ উৎপাদিত শস্য এজন মানুহৰ ঘৰত জমা হলগৈ। তেওঁলোকৰ মাজত ভকাইতি হৈছে। আনকি হত্যা কাণ্ডও হৈছে। এই মাত্তব্বৰ সকলৰ প্ৰভাৱৰ পৰা এই বিলাক মাটি মুক্ত কৰি গৰাখহনীয়াত গৃহহীন হোৱা লোকক কমেও আধা বিঘাকৈ মাটি দিবলৈ অনুৰোধ জনাই মই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰিছো।

*শ্ৰীপূৰ্ণ বড়ো :— মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মই দুটামান কথা কবলৈ বিচাৰিছো। প্ৰাকৃতিক দুৰ্য্যোগ বুলিলে অকল বানপানীকেই নুবুজায়। খৰাং বতৰৰ উপৰিও পোক পকৰাই শস্য নষ্ট কৰা, শিলাবৃষ্টিয়ে শস্য নষ্ট কৰা এই বিলাকো পৰে। এই প্ৰাকৃতিক দুৰ্য্যোগৰ ফলত আটাইতকৈ বেছি খতিগ্ৰস্ত হয় উৎপাদনকাৰী কৃষক সকল। এই কৃষক সকলক প্ৰাকৃতিক দুৰ্য্যোগত মাৰাত্মক ধৰণেৰে খতিগ্ৰস্ত হোৱাৰ ফলত চৰকাৰৰ তৰফৰ পৰা যি সাহায্য দিয়া হয় সিয়ো প্ৰৰ্য্যাপ্ত নহয়। চৰকাৰে প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰে। তিনিমাহৰ ৰেচন দিয়াৰ কথা আছিল যদিও আমাৰ অঞ্চলত তিনিমাহ বিলিঙ্ক পোৱা নাই আজি বানপানীত খতিগ্ৰস্ত হোৱা কৃষক সকলৰ কাৰণে চৰকাৰে যি বিলাক ব্যৱস্থা কৰিব লাগিছিল সেই সম্পৰ্কত কোনো ব্যৱস্থা লোৱা হোৱা নাই। মই দাবী জনাইছো অচিৰেই খতিগ্ৰস্ত কৃষক সকলক খতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমি জানো যে ব্যৱসায়ী প্ৰতিষ্ঠান কলকাৰখানা ইত্যাদি বিলাকৰ যিবিলাকৰ ক্ষতি হয় সেইবিলাকক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা আছে যিহেতু তেওঁলোকৰ বীমা আদি আছে। কিন্তু কৃষক সকলৰ খেতি বাতি নষ্ট

* Speech not Corrected

হলে শস্য ক্ষতি হোৱাৰ পাছত ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা নাই। তেনেহস্থলত শস্য বীমা চালু কৰাৰ যোগেদি কৃষকক ক্ষতি পূৰণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। প্ৰাকৃতিক দূৰ্য্যোগত কৃষক সকলৰ সমস্ত যিখিনি উৎপাদন নষ্ট হৈ যায় সেইখিনি ঘূৰাই পোৱাৰ উপায় নাই। সেয়ে, কৈছো। শস্য বীমা আচনি প্ৰৱৰ্ত্তন কৰক। তাৰ পৰাহে তেওঁলোক উপকৃত হব। প্ৰাকৃতিক দূৰ্য্যোগত প্ৰানহানী, মানুহ মৰা পোহনীয়া জীৱজন্তু মৰা আছেই কিন্তু প্ৰাকৃতিক দুৰ্যোগত পতিত সকলক উদ্ধাৰকৰা কাৰ্য্য সময়মতে লোৱা নহয়। আমি নিজে দেখিছো পানীৰ সময়ত কোনো অঞ্চলত ৰাষ্টাঘাত চিঙি যোগাযোগ বিচ্ছিন্ন হয় কিন্তু তেওঁলোককো সময়মতে উদ্ধাৰ কৰা নহয়। তেনেকুৱা বিলাক কাৰণতে বহুত বিলাক ঘটণা সংঘটিত হয়। বানপানী বহুত কাৰণতে হয় ক'ৰবাত মঠাউৰী ভাঙি ক'ৰবাত মঠাউৰী নোহোৱাৰ কাৰণে। হুডিয়া অঞ্চলৰ কলাজল আৰু চেচা নৈৰ মঠাউৰা নাই। সেই মঠাউৰী কৰা কাৰণে কৃষক ৰাইজে বহুবাৰ চৰকাৰৰ ওচৰত স্মাৰকপত্ৰ দিছে, কিন্তু আজিলৈ কৰা নাই। প্ৰাকৃতিক দূৰ্য্যোগ হব, বানপনী হবতাত যাতে ৰাইজৰ বিপদ হব নোৱাৰে সেই ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰা নাই। বিপদত ক্ষতিগ্ৰস্থ লোক সকলক যি কোনো উপায়ে উদ্ধাৰ কৰিবৰ কাৰণে চৰকাৰ আগবাঢ়ি আহিব লাগে। পুনৰ সংস্থাপনৰ ক্ষেত্ৰত তুষাৰমান কৰ খুজিছো। পুণৰ সংস্থাপনৰ ক্ষেত্ৰত কেৱল মাটি ঘৰবাৰী বন্ধা আদিকে পুনৰ সংস্থাপন বুলি কোৱা হয় কিন্তু যি সকল লোক অন্য প্ৰকাৰে ক্ষতিগ্ৰস্থ হয় তেওঁলোককো এই পুনৰ সংস্থাপনৰ দ্বাৰা কাম আদি দিয়াৰ ব্যৱস্থা কৰিব লাগে। কামৰূপ জিলাত ১৯৮৩ চনত এন আৰ ই পিৰ দ্বাৰা কোনো কাম কাজ নহ'ল, ১৯৮৪—৮৫ চনত টেষ্ট ৰিলিফৰ দ্বাৰা ৰাষ্টা বন্ধা কামৰ কাৰণে প্ৰাককলন তৈয়াৰ কৰা হৈছে ৰাইজে কাম পাবনে নাপায় সেইটোত আমাৰ সন্দেহ হৈছে। ক্ষতিগ্ৰস্থ ৰাইজ সকলক সোনকালে পুনৰ সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিব লাগে।

Mr. Speaker :— The way you are going on, I am afraid, you will not get the reply of the Hon. Minister.

শ্ৰীপূৰ্ণ বড়ো :— মই দীঘলীয়া কাৰিব বিছৰা নাই। এইখিনিকে কৈ কৰ্ত্তন প্ৰস্তাৱটো উৎথাপন কৰিলো।

Mr. Speaker :— It is a less to the august House, because they want to get commitment of the Hon. Minister. Here continuing the speech will not help as there are only 5 minutes in hand.

*শ্ৰীকেশৱ চন্দ্ৰ গগৈ :— মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ চেণ্ট্ৰেল টিম আহিছে, তেওঁলোকক দুখন স্মাৰক পত্ৰ দিয়া হৈছে। আৰু কিমান টকা লগে কোৱা হৈছে। বোধকৰো মাননীয় সদস্য সকলে তাৰ কপি পোৱা নাই মই কালিৰ ভিতৰত পোৱাৰ ব্যৱস্থা কৰি দিম। সেই কপি পালে আপোনালোকে বুজিব পাৰিব কিমান ক্ষয় ক্ষতি হৈছে। বঙিয়া মহকুমাৰ কমলপুৰ চাৰ্কলত ক্ষয় ক্ষতিৰ কথা আমাৰ ডেকা ডাঙৰীয়াই কৈছে। মই কমলপুৰ, বঙিয়া, তামুলপুৰ ভ্ৰমণ কৰিছো। আজি ৰাতিপুৱা এটা প্ৰশ্ন সন্দৰ্ভত মাননীয় সদস্যাই কৈছে যে এজন মন্ত্ৰী দায়িত্বত দিয়া হৈছে। মুখ্যমন্ত্ৰী থকা হলে অবশ্যে তাৰ উত্তৰ দিব পাৰিলে হেতেন। মই কমলপুৰ চাৰ্কলৈ গৈছিলো আৰু মোৰ লগত কেইবাজনো ভদ্ৰলোক গৈছিল। তাত গৈ দেখিলো তাত যি জন উপপতি সমৰ্ত্তা আছে, তেওঁ কোনো এফেকটেদ্ অঞ্চল বা গাওঁলৈ যোৱা নাই। তেওঁ মানুহ বিলাকক চাৰলৈ মাতি আনি, কাৰোবাক দুবেগ কাৰোবাক চাৰিবেগ এনেকৈ

*Speech not Corrected

বেচন বিতৰণ কৰিছিল। তেওঁৰ যিতো চাৰ্কল অফিচ তাৰ আধা মাইল দূৰত দুটা কেম্প আছিল। আমি গৈ দেখো, তেওঁলোকে পুলিচে বিতৰণ কৰা খিচিৰি খাই আছে। অন্য যিবিলাক ব্যৱস্থা কৰিব লাগিছিল তাৰ কোনো ব্যৱস্থাই কৰা নাছিল। মই ঘূৰি আহি ততকালিন ভাবে তেওঁক বৰ্খাস্তৰ হুকুম দিছিলো। কিন্তু পাচত মই নিজেই সেই হুকুম বাতিল কৰিব লগীয়া হল। উপায়ুক্তক অনুসন্ধান কৰিবলৈ দিয়া হ'ল তেওঁ এখন চাৰ্টিফিকেট দিলে, আৰু কলে যে তেওঁ ভাল কামেই কৰি আছে। পূঠিমাৰি অঞ্চললৈ মই নিজেই গৈছিলো আৰু ৰাইজৰ দুখ দেখি মই বেচন আৰু সাহার্য্য পাব বুলি কৈ আহিছিলো। আজি মই জানি দুখ পাইছো যে, তেওঁলোকে দুদিন নে এদিন বেচন পোৱাৰ পাচত আৰু পোৱা নাই। তেওঁলোকে যাতে বেচন পায় তাৰ ব্যৱস্থা কৰিম।

**Shri Binoy Kumar Basumatary :—** Sir will the Government then suspend this sort 57 D.C also

**শ্ৰীকেশৱ চন্দ্ৰ গগৈ :—** উপায়ুক্তই ইতিমধ্যে ৰিপোৰ্ট দিছে সেই ৰিপোৰ্ট যদি শুদ্ধ বুলি ভবা নহয়, তেনেহলে পুনৰ অনুসন্ধান কৰিব পাৰিম। যদি সদস্য সকলে বিচাৰে।

(ভইচ- হয় কৰিব লাগে)

মই মূখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰিম। তেখেতে যদি সন্মত হয় সদনৰ সদস্য সকলৰ কমিটিৰ দ্বাৰা তাৰ অনুসন্ধান কৰা ব্যৱস্থা কৰা হব।

ইয়াৰ বাহিৰেও ডেকা ডাঙৰীয়াই আৰু কিছুমান সাহায্য দিয়াৰ কথা কৈছে মই সদনত তেখেত সকলক আশ্বাস দিব বিচাৰিছো যে

ক্ষতিগ্ৰস্ত মানুহ খিনিয়ে সাহার্য্য পাব। তেওঁলোকে আগৰ বছৰৰো পাব আৰু এই বছৰৰো পাব। তেখেতে তিনি হাজাৰ টকাৰ কথা কৈছে।

Mr. Speaker :— Order, order, it now 4-30 p:m I now guillotine all the remaining cut motions. Now I put grant No 5 47,50,54,63,68 and 70.

Supplementary Demand for Grants No. 47,50,54, 63,68, and 70 are passed.

The House will adjourn for 20 minutes for tea. I request all the Hon. Members of the House, officers in the official gallary, press representatives and the official reporters to go to the room No. 1 for light refreshment.

The House stands adjourned till 4.50 p.m.

The Assam Appropriation (no IV) Bill, 1984

